DailyAssam.Com



একাদশ বিষয়বস্তু

# ব্ৰিটিছৰাজ আৰু বিদ্ৰোহীসকল
## ১৮৫৭-ৰ বিদ্ৰোহ আৰু ইয়াৰ বিৱৰণি

১৮৫৭ খৃষ্টাব্দৰ ১০ মে'ৰ বিয়লি বেলা মীৰাটৰ ছাউনিৰ চিপাহীসকলে বিদ্ৰোহ কৰি উঠিছিল। স্থানীয় পদাতিক বাহিনীৰ মাজত আৰম্ভ হোৱা এই বিদ্ৰোহ অতি ক্ষিপ্ৰ গতিত অশ্বাৰোহী কাহিনী আৰু স্থানীয় নগৰলৈ বিয়পি পৰিছিল। লগে লগে নগৰৰ আৰু ইয়াৰ চৌপাশৰ গাঁওবোৰৰ সাধাৰণ জনতাও বিদ্ৰোহী চিপাহীসকলৰ লগ লাগিছিল। চিপাহীসকলে অস্ত্ৰাগাৰৰ গুলী-বাৰুদ লুট কৰি, বগা বঙালসকলক কৰি তেওঁলোকৰ সা-সম্পত্তি লুটপাত কৰিছিল আৰু তেওঁলোকৰ বঙালাবোৰত জুই লগাই দিছিল। লেখ কাৰ্যালয়, কাৰাগাৰ, আদালত, ডাকঘৰ, কোষাগাৰ ইত্যাদি চৰকাৰী ভৱনবোৰো ধ্বংস কৰি লুট কৰা হৈছিল। দিল্লীলৈ যোৱা টেলিগ্ৰাফ সংযোগ বিচ্ছিন্ন কৰি দিয়া হৈছিল। নিশাৰ অন্ধকাৰ নামি অহাৰ লগে লগে চিপাহীৰ এটা দলে দিল্লীলৈ বুলি ঘোঁৰা চেকুৰাই দিছিল।



আৰ্হি নং 11.1
বাহাদুৰ শ্বাহৰ প্ৰতিকৃতি

১১ মে'ৰ দিনা ঢলপুৱাতে অশ্বাৰোহী চিপাহীৰ দলটো লালকিল্লাৰ জপনামুখত উপস্থিত হৈছিলগৈ দৈৱক্ৰমে উক্ত মাহটো আছিল মুছলমানসকলৰ নামাজ কৰা আৰু ৰোজা পালন কৰা পৱিত্ৰ ৰমজান মাহ। চিপাহীসকল লালকিল্লাত উপস্থিত হোৱা মুহূৰ্তত, বৃদ্ধ সম্ৰাট বাহাদুৰ শ্বাহে তেওঁৰ ৰোজা আৰম্ভ হোৱাৰ আগেয়ে সূৰ্যোদয় পূৰ্বৰ নামাজ আৰু আহাৰ -পৰ্ব শেষ কৰি উঠিছিলহে মাত্ৰ। এনেতে তেওঁ দুৰ্গৰ প্ৰৱেশদ্বাৰৰ সন্মুখত কোৰ্হাল শুনিবলৈ পাইছিল। তেওঁৰ খিড়িকীৰ তলত জুম বন্ধা চিপাহীসকলে তলৰপৰা চিঞৰি চিঞৰি কৈছিল, 'জাহাপনা' আমি মীৰাটৰপৰা আহিছোঁ আৰু তাৰ সকলো ইংৰাজ মানুহকে খতম কৰি থৈ আহিছোঁ। কাৰণ সিহঁতে আমাক গৰু আৰু গাহৰিৰ চৰ্বি সনা গুলীৰ বাকলি দাঁতেৰে কামুৰিবলৈ হুকুম দিছিল। এই কাৰ্যই হিন্দু আৰু ইছলাম দুয়োটা ধৰ্মকেই কলুষিত কৰিছে।' ইতিমধ্যে চিপাহীৰ অন্য এটা দলে দিল্লীত প্ৰৱেশ কৰিছিল আৰু স্থানীয় সাধাৰণ জনতা তেওঁলোকৰ লগ লাগিছিল। বৃহৎ সংখ্যাত ইউৰোপীয় লোকসকলৰ লগ লাগিছিল। বৃহৎ সংখ্যাত ইউৰোপীয় লোকসকলক হত্যা কৰা হৈছিল। তদুপৰি, দিল্লীৰ চহকী লোকসকলক আক্ৰমণ কৰি লুটপাত কৰা হৈছিল। মুঠতে, দিল্লী বৃটিশৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাটো হৈ পৰিছিল। বাধ্যতামুলক ৰাজ-শিষ্টাচাৰ পালন নকৰাকৈ, কিছুসংখ্যক অশ্বাৰোহী চিপাহীয়ে বলপূৰ্বকভাৱে লালকিল্লাৰ ভিতৰত প্ৰৱেশ কৰিছিল। তেওঁলোকে বিদ্ৰোহৰ বাবে সম্ৰাটৰ আশীষ দাবী কৰিছিল। চাৰিওফালে বিদ্ৰোহী চিপাহীৰ দ্বাৰা পৰিবেষ্টিত হৈ থকা অৱস্থাত সৈমান হোৱাৰ বাহিৰে বৃদ্ধ সম্ৰাটৰ সন্মুখত অন্য একধৰণে মান্যতা লাভ কৰিছিল, কাৰণ এতিয়াৰ পৰা এই বিদ্ৰোহ মহামান্য বাদশ্বাহৰ নামত চলাই নিব পৰা হ'ল।

১২ আৰু ১৩ মে' দুয়োদিন ধৰি, সমগ্ৰ উত্তৰ ভাৰত শান্ত হৈ আছিল। কিন্তু বিদ্ৰোহীসকলৰ হাতত দিল্লীৰ পতন ঘটা আৰু তেওঁলোকৰ প্ৰতি সম্ৰাট বাহাদুৰশ্বাহৰ সমৰ্থনৰ কথা প্ৰচাৰ হোৱাৰ লগে লগে ঘটনাক্ৰম দ্ৰুতগতিত সলনি হ'বলৈ আৰম্ভ কৰিছিল। সমগ্ৰ গংগা উপত্যকাৰ ছাউনিৰ পিছত ছাউনি আৰু দিল্লীৰ পশ্চিমৰ কিছুমান ছাউনি পৰ্যন্ত বিদ্ৰোহে মূৰ দাঙি উঠিছিল।

## ১. বিদ্ৰোহৰ ধৰণ-কৰণ

কোনোবাই যদি এই বিদ্ৰোহৰ সমগ্ৰ ঘটনাৱলীক কালক্ৰমত অনুসৰি সজাবলৈ বিচাৰে, তেন্তে এই কথা স্পষ্টকৈ ওলাই পৰিব যে বিদ্ৰোহৰ বতৰা এখন চহৰৰপৰা অন্য এখন চহৰলৈ বিয়পি পৰাৰ লগে লগে, পিছৰখন চহৰৰ চিপাহীসকলেও অস্ত্ৰ ধাৰণ কৰি উঠিছিল। ঠিক তেনেদৰেই চিপাহী ছাউনিবোৰৰ ঘটনাক্ৰমৰ ধৰণ-কৰণৰ মাজতো সাদৃশ্য আছিল।

অস্ত্ৰাগাৰ হৈছে এনে এক ভঁৰালঘৰ য'ত অস্ত্ৰ-শস্ত্ৰ সংৰক্ষণ কৰি ৰখা হয়

### ১.১ বিদ্ৰোহৰ সুত্ৰপাত কেনেকৈ হৈছিল

চিপাহীসকলে একোটা বিশেষ ইচাৰাৰে তেওঁলোকৰ কাম আৰম্ভ কৰিছিল। বহুতো ঠাইত এনে ইচাৰাবোৰ আছিল বিয়লি বেলা গুলী ফুটাৱাৰ শব্দ নাইবা শিঙাৰ ধ্বনি। তেওঁলোকে প্ৰথমে অস্ত্ৰাগাৰ জব্দ কৰিছিল আৰু তাৰ পাছত কোষাগাৰ লুট কৰিছিল। ইয়াৰ পাছত তেওঁলোকে বিভিন্ন চৰকাৰী ভৱন যেনে— কাৰাগাৰ, কোষাগাৰ, টেলিগ্ৰাফ, কাৰ্যালয়, অভিলেখ কক্ষ, বঙলা আদি আক্ৰমণ আৰু লুটপাত চলাই, সেইবোৰ জ্বলাই ভস্মীভূত কৰিছিল। বগা চামৰাৰ মানুহবিলাকৰ লগত যুক্ত বা সেইবোৰ জ্বলাই বস্তু বা যিকোনো ব্যক্তিয়েই আক্ৰমণৰ লক্ষ্য হৈ পৰিছিল। হিন্দু আৰু মুছলমান দয়ো সম্প্ৰদায়ৰ লোকক ঐক্যবদ্ধ হৈ জাগি উঠি, ফিৰঙ্গীবোৰক নিৰ্মূল কৰিবলৈ হিন্দী, উৰ্দু আৰু পাৰ্চী ভাষাত লিখা ইস্তাহাৰ যোগে নগৰে নগৰে আহ্বান জনোৱা হৈছিল।

ফিৰঙ্গী শব্দটো হৈছে ফ্ৰাঙ্ক (যাৰপৰা ফ্ৰাঞ্চ্ নামটোৰ সৃষ্টি হৈছে) শব্দৰ পৰা উদ্ভূত পাৰ্চী মূলৰ এটা শব্দ। উৰ্দু আৰু হিন্দী ভাষাত বিদেশীক বুজাবলৈ তুচ্ছাৰ্থত এই শব্দটো ব্যৱহাৰ কৰা হৈছিল।।

সাধাৰণ জনতাই যেতিয়া বিদ্ৰোহত যোগ দিবলৈ আৰম্ভ কৰিছিল, তেতিয়া আক্ৰমণৰ লক্ষ্যৰ পৰিসৰো বৃদ্ধি পাইছিল। লক্ষ্ণৌ, কানপুৰ, বেৰেলি আদি প্ৰধান প্ৰধান চহৰবোৰত শাহুকাৰ আৰু অন্যান্য চহকী ব্যক্তিসকলো বিদ্ৰোহীসকলৰ ক্ৰোধাগ্নিৰ লক্ষ্য হৈ পৰিছিল। কিয়নো কৃষকসকলে তেওঁলোকক কেৱল শোষণকাৰী বুলিয়েই নহয়, বৃটিশ মিত্ৰ বুলিও বিবেচনা কৰিছিল। বেছিভাগ ঠাইতে তেওঁলোকৰ বাসস্থানবোৰ লুটপাত কৰি ধ্বংস কৰা হৈছিল। এইদৰে চিপাহীসকলৰ সামৰিক উত্থানে অচিৰেই গণবিদ্ৰোহৰ ৰূপ ধাৰণ কৰিছিল। মুঠতে, সকলোপিনে সকলো ধৰণৰ আৰু সকলো পৰ্য্যায়ৰ কৰ্তৃপক্ষই অৱমাননা কৰাৰ এক পৰিবেশৰ সৃষ্টি হৈছিল।



আৰ্হি নং 11.2
বৃটিশক আক্ৰমণ কৰোঁতে চিপাহীসকলৰ সৈতে সাধাৰণ লোকেও সহযোগিতা আগবঢ়াইছে।

DailyAssam.Com



মে’ আৰু জুন মাহৰ কালছোৱাত বিদ্ৰোহী কাৰ্য-কলাপৰ বিৰুদ্ধে বৃটিশ চৰকাৰে কোনোধৰণৰ কাৰ্যকৰী ব্যৱস্থা হাতত ল’ব পৰা নাছিল। সেই সময়ত বৃটিশ ব্যক্তিসকল নিজৰ জীৱনৰ লগতে নিজৰ পৰিয়ালৰ লোকসকলৰ জীৱন ৰক্ষা কৰাৰ চেষ্টাত ব্যস্ত আছিল। এজন বৃটিশ বিষয়াৰ দৃষ্টিত, বৃটিশ শাসন ‘তাচপাতৰ ঘৰৰ দৰে খহি পৰিছিল।’

**সমল - ১**

**অসাধাৰণ পৰিস্থিতিত সাধাৰণ জীৱন**

বিদ্ৰোহ অব্যাহত থকা মাহবোৰত নগৰবিলাকত কি সংঘটিত হৈছিল? প্ৰচণ্ড গণ্ডগোলীয়া উক্ত মাহবোৰত সাধাৰণ মানুহে কেনেকৈ জীৱন অতিবাহিত কৰিছিল? সাধাৰণ জীৱন কেনেকৈ প্ৰভাৱান্বিত হৈছিল? বিভিন্ন নগৰবিলাকৰ পৰা লাভ কৰা প্ৰতিবেদনবোৰৰ তথ্য অনুসৰি, সাধাৰণ মানুহৰ দৈনন্দিন কৰ্মসূচী নিশ্চিতভাৱে বিঘ্নিত হৈছিল। ‘দেহ্লী উৰ্দু আকবৰ’-ৰ ১৮৫৭ খৃষ্টাব্দৰ ১৪ জুন তাৰিখৰ সংখ্যাৰপৰা লাভ কৰা তলৰ প্ৰতিবেদন দুখন পঢ়ি চোৱাঃ

সেই একেই অৱস্থা শাক-পাচলিৰ ক্ষেত্ৰতো সঁচা বুলি প্ৰমাণিত হৈছে। জনসাধাৰণে অভিযোগ কৰা দেখা গৈছে। বজাৰত কাদ্দু (ৰঙালাউ) আৰু বৈগান (বেঙেনা)—ও পাবলৈ নাইকীয়া হৈছে। আৰ্বি (কাঠআলু), আলু আদি পোৱা গ’লেও গেলা-পঁচা নাইবা সোতোৰা পৰা ধৰণৰহে পোৱা যায়, যিবিলাক হয়তু কোনোবা দুৰদৰ্শী কুঞ্জৰা (পাচলি খেতিয়ক) -ই বহুদিনৰ পূৰ্বৰেপৰা সাঁচি ৰাখিছিল। নগৰৰ ভিতৰুৱা খেতি-পথাৰবোৰত উৎপাদিত কিছু পৰিমাণৰ শাক-পাচলি দুই-এঠাইত ওলায় যদিও দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহে সেইবিলাক চাই ওঁঠ চেলেকিব পাৰে (এইবিলাক নিৰ্বাচিত সামান্য সংখ্যক লোকৰ বাবেহে নিৰ্দিষ্ট কৰা থাকে)।

........ জনসাধাৰণৰ বহুপৰিমাণে ক্ষতি সাধন কৰা অন্য এটা বিষয়লৈকো আমি মনোযোগ দিয়াৰ দৰকাৰ। সেয়া হ’ল, জল-বাহনবোৰে পানী ভৰোৱাৰ কাম বন্ধ কৰি দিলে। ফলত, বেচেৰা চুৰ্ফা (ভদ্ৰলোক)-সকলে কান্ধৰ টেকেলিত পানী কঢ়িয়াই লৈ ফুৰা দেখিবলৈ পোৱা গৈছে। কাৰণ ইয়াৰ পাছতহে কেৱল ৰন্ধা-বঢ়াৰ দৰে দৈনন্দিন প্ৰয়োজনীয় কাম-কাজবোৰ সমাপণ কৰিব পৰা যায়। হালালখোৰ (সৎ লোক) সকলো হাৰামখোৰ (অসৎ লোক)-লৈ ৰূপান্তৰিত হৈছে। বহুটো মহল্লা (আৱাসিক অঞ্চল) -ই আজি বেছ কিছুদিন ধৰি একো অৰ্জন কৰিব পৰা নাই আৰু যদি এই অৱস্থা আৰু কিছুদিন বাহাল থাকে, তেন্তে অৱনতি, মৃত্যু আৰু বেমাৰ-আজাৰ সকলো একাকাৰ হৈ নগৰৰ বায়ু দূষিত কৰিব আৰু সমগ্ৰ নগৰ আৰু ওচৰ-পাজৰৰ এলেকাবোৰত মাৰি-মৰকে দেখা দিব।

➲ প্ৰতিবেদন দুখনৰ লগতে লগতে দিল্লীত কি ঘটিছিল সেই সম্পৰ্কে এই অধ্যায়ত কৰা থকা বৰ্ণনাবোৰ পঢ়ি চোৱা। মনত ৰাখিবা যে বাতৰি কাকতৰ প্ৰতিবেদনবোৰে প্ৰায়ে সংবাদদাতাসকলৰ পক্ষপাতিত্ব প্ৰতিফলিত কৰে। সাধাৰণ জনতাৰ কাৰ্য-কলাপৰ প্ৰতি গেলথ উৰ্দু আকবৰৰ কাকতৰ দৃষ্টিভঙ্গী কেনেকুৱা আছিল?

## ১.২ যোগাযোগৰ পথ

বিভিন্ন স্থানৰ বিদ্ৰোহৰ ধৰণ-কৰণৰ মাজত যি সাদৃশ্য দেখা গৈছিল, সিয়ে এই কথাই স্পষ্ট কৰে যে বিদ্ৰোহীসকলৰ মাজত এই সম্পৰ্ক কিছুমান পৰিকল্পনা আছিল আৰু একধৰণৰ সমন্বয় আছিল। এই কথা স্পষ্ট আছিল যে চিপাহীৰ বিভিন্ন ছাইনিবোৰৰ মাজত পাৰস্পৰিক যোগাযোগ আছিল। সপ্তম অৱধ অনিয়মীয়া অশ্বাৰোহী বাহিনীয়ে মে’ মাহৰ আগভাগত নতুন গুলীবোৰ ব্যৱহাৰ কৰিবলৈ অমান্তি হোৱাৰ পাছত ৪৮-তম স্থানীয় পদাতিক বাহিনীৰ চিপাহীসকললৈ প্ৰেৰণ কৰা পত্ৰত লিখিছিল যে ‘তেওঁলোকে নিজ ধৰ্মৰ হকে কাম কৰিছিল আৰু ৪৮ -তম বাহিনীৰ আদেশৰ বাবে অপেক্ষা কৰিছিল।’ চিপাহী বা তেওঁলোকৰ গুপ্তচৰসকল ইঠাইৰ সিঠাইলৈ ঘূৰি ফুৰিছিল। সৰ্বসাধাৰণেও একেদৰেই বিদ্ৰোহৰ বিষয়ে আলোচনা আৰু পৰিকল্পনা কৰিছিল।

DailyAssam.Com

**সমল -২**

## চিষ্টেন আৰু টহ্চিলডাৰ

বিদ্ৰোহৰ বতৰা সৰবাৰাহৰ প্ৰসঙ্গত ফ্ৰাঙ্কইচ্ চিস্তেন্ নামৰ সীতাপুৰৰ দেশীয় খ্ৰিষ্টীয়ান আৰক্ষী পৰিদৰ্শক জনৰ অভিজ্ঞতাটো বৰ জোৰাই-জোখাই খাপ খাই পৰা বিধৰ। এবাৰ তেওঁ চাহাৰানপুৰৰ দণ্ডাধীশ গৰাকীক ব্যক্তিগতভাৱে শ্ৰদ্ধা নিবেদন কৰিবলৈ গৈছিল। ভাৰতীয় পোছাক পৰিহিত চিস্তেন ভৰিৰ ওপৰত ভৰি ৰাখি বহি আছিল। এনেতে বিজনৰৰ এজন মুছলমান তহচিলদাৰ কোঠাটোলৈ সোমাই আহিছিল। চিস্তেন অযোধ্যাৰপৰা অহা বুলি জানিব পাৰি, তেওঁ পোনছাটেই সুধিছিল, 'অযোধ্যাৰ বতৰা কি? তাত কাম কিদৰে আগবাঢ়িছে ভাই?' নিজৰ পৰিচয় গোপনে ৰাখি, চিস্তেনে উত্তৰ দিছিল, 'অযোধ্যাত যদি আমাৰ কিবা কৰণীয় থাকে, তেন্তে মহাশয়ে নিশ্চয় জানিব।! তেতিয়া তহচিলদাৰজনে কৈছিল, 'নিশ্চিত থাকা, আমি, এইবাৰ সফল হ'মেই। সমগ্ৰ কাম-কাজৰ পৰিচালনা যোগ্যজনৰ হাততেই আছে।' উক্ত তহচিলদাৰজনক পিছলৈ বিজনৰৰ অন্যতম মুখ্য বিদ্ৰোহী নেতা বুলি চিনাক্ত কৰা হৈছিল।

➲ এই কথোপকথনে বিদ্ৰোহীসকলৰ আঁচনিবোৰৰ যোগাযোগ আৰু আলোচনাৰ উপায়বোৰৰ বিষয়ে কি জানিবলৈ দিয়ে। তহচিলদাৰজনে পোনচাতেই এজন সম্ভাব্য বিদ্ৰোহী বুলি ভাবিছিল?

বিভিন্ন ঠাইৰ সেনাদ্ৰোহৰ ধৰণ-কৰণ আৰু তেওঁলোকৰ মাজত এক ধৰণৰ আঁচনি আৰু সমন্বয়ৰ দুই-এক তথ্য-প্ৰমাণে কিছুমান গুৰুত্বপূৰ্ণ প্ৰশ্নৰ অৱতাৰণা কৰে। যেনে আঁচনিবোৰ কেনেকৈ তৈয়াৰ কৰা হৈছিল, আঁচনিকৰ্তাসকল কোন কোন আছিল ইত্যাদি? আমি লাভ কৰা লিখিত তথ্যবিলাকৰ ভিত্তিত এইবোৰ প্ৰশ্নৰ যথাযথ উত্তৰ দিয়াটো অতি টান। কিন্তু এটা বিশেষ ঘটনাই বিদ্ৰোহী চিপাহীসকল কেনেকৈ সংগঠিত হৈছিল, তাৰ কিছু শুং-সূত্ৰ আমাক দিয়ে। অযোধ্যাৰ সেনা-আৰক্ষী বিষয়া, কেপ্তেইন হাৰ্চিক সেনাদ্ৰোহৰ কালছোৱাত তলতীয়া কিছুসংখ্যক ভাৰতীয়ই ৰক্ষণাবেক্ষণ দিছিল। সেই একে ঠাইতে বহুওৱা ৪১-তম থলুৱা পদাতিক বাহিনীয়ে তেওঁলোকৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছিল যে যিহেতু তেওঁলোকে তেওঁলোকৰ সকলো শেতাঙ্গ বিষয়াক হত্যা কৰিছিল, গতিকে সেনা-আৰক্ষীয়েও হাৰ্চিক হয় হত্যা কৰিব লাগে, নহয় বন্দী কৰি ৪১-তম বাহিনীক গতাই দিব লাগে। সেনা-আৰক্ষীয়ে ইয়াৰ কোনোটোৱেই কৰিবলৈ অমান্তি হৈছিল। তাৰ সলনি, প্ৰতিটো বাহিনীক প্ৰতিনিধিত্ব কৰা থলুৱা বিষয়াসকলৰ দ্বাৰা সংগঠিত এখন পঞ্চায়তৰ দ্বাৰা বিষয়টোৰ সু-মীমাংসা কৰিবলৈ তেওঁলোকে সিদ্ধান্ত লৈছিল। এই বিদ্ৰোহটোৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত এজন আগৰণুৱা ইতিহাসবিদ চাৰ্লচ্ বলে লিখিছিল যে কানপুৰৰ চিপাহীৰ শাৰীবিলাকত নিয়মীয়াকৈ নৈশ-পঞ্চায়ত অনুষ্ঠিত হৈছিল। এই ঘটনাই ইয়াকে সূচায় যে কিছুমান সিদ্ধান্ত সামূহিকভাৱে লোৱা হৈছিল। চিপাহীসকলে ছাউনিৰ একো একোটা আৱাসিক শাৰীত একেলগে বসবাস কৰিছিল, তেওঁলোকৰ এটা উমৈহতীয়া জীৱনশৈলী আছিল আৰু তেওঁলোকৰ বহুতেই একোটা একেই সম্প্ৰদায়ৰপৰা আহিছিল। গতিকে তেওঁলোকে যে তেওঁলোকৰ নিজা ভৱিশ্যতৰ বিষয়ে একেলগে বহি, সামূহিক সিদ্ধান্ত কিছুমান গ্ৰহণ কৰিছিল সেই কথা সহজে অনুমেয়। তেওঁলোকৰ বিদ্ৰোহৰ প্ৰধান কৰ্তা নিঃসন্দেহে তেওঁলোক নিজেই আছিল।

*সেনাদ্ৰোহ— সৈন্য-বাহিনীৰ নিয়ম -কানুনৰ বিৰুদ্ধে এক সামূহিক অমান্যতা।*

*বিদ্ৰোহ— প্ৰতিষ্ঠিত কৰ্তৃপক্ষ বা ক্ষমতাৰ বিৰুদ্ধে জনসাধাৰণে কৰা দ্ৰোহ। 'বিদ্ৰোহ' আৰু দ্ৰোহ' দুয়োটা শব্দৰ সমাৰ্থক শব্দৰূপে ব্যৱহাৰ কৰিব পাৰি।*

*১৮৫৭ খৃষ্টাব্দৰ বিদ্ৰোহৰ প্ৰসঙ্গত, বিদ্ৰোহ শব্দটোৱে প্ৰাথমিক ৰূপত অসামৰিক লোক (কৃষক, জমিদাৰ) সকলৰ উত্থানক বুজাইছিল। আনহাতে, সেনাদ্ৰোহে চিপাহীসকলৰ দ্ৰোহক বুজাইছিল।*

DailyAssam.Com





আৰ্হি নং ১১.৩
ৰাণী লক্ষ্মীবাঈ, এখন জনপ্ৰিয় মুখ



আৰ্হি নং ১১.৪
**১৮৫৮ খৃষ্টাব্দৰ শেষলৈ বিদ্ৰোহ যেতিয়া বিফল হৈছিল, তেতিয়া নানা চাহিব নেপাললৈ পলাই গৈছিল। এই পলায়নৰ কাহিনী নানা চাহিবৰ সাহস আৰু বীৰত্বৰ কাহিনীৰ সৈতে যোগ হৈছিল।**

## ১.৩ নেতৃবৃন্দ আৰু তেওঁলোকৰ অনুগামীসকল

বৃটিশৰ দৰে এটা মহাশক্তিৰ বিৰুদ্ধে যুঁজিবলৈ বিদ্ৰোহী চিপাহীসকলৰ মাজত নেতৃত্ব আৰু সংঘবদ্ধতা অতীৱ প্ৰয়োজনীয় বিষয় আছিল। ইয়াৰ বাবে তেওঁলোকে সততে সেইসকলৰ মুখলৈকে পৰম আশাৰে চাইছিল, যিসকল বৃটিশ শাসনৰ পূৰ্বতে সমাজৰ নেতৃস্থানীয় ব্যক্তি আছিল। আমি ইতিমধ্যে দেখিবলৈ পাইছো যে মীৰাটৰ বিদ্ৰোহী চিপাহীসকলৰ প্ৰাথমিক কামবোৰৰ ভিতৰত এটা অন্যতম কাম আছিল বৃদ্ধ মোগল সম্ৰাটক নেতৃত্ব গ্ৰহণৰ সন্মতি আদায় কৰাৰ বাবে মিনতি জনাবলৈ দিল্লীলৈ ঢাপলি মেলা। প্ৰথম অৱস্থাত অত্যন্ত ভীতিগ্ৰস্ত হোৱা বৃদ্ধ সম্ৰাটে নেতৃত্বৰ এই প্ৰস্তাৱ গ্ৰহণ কৰোঁতে যথেষ্ট থেৰোঁ-গেৰোঁ কৰিছিল। কিন্তু যেতিয়া কিছুসংখ্যক উত্তেজিত আৰু অতুৎসাহী অশ্বাৰোহী চিপাহীয়ে নৈমিত্তিক আনুষ্ঠানিকতা অৱমাননা কৰি লালকিল্লাৰ অভ্যন্তৰৰ মোগল ৰাজসভাত উপস্থিত হৈছিলগৈ, তেতিয়া সন্মুখত কোনো বিকল্প নেদেখিহে সম্ৰাটে বিদ্ৰোহৰ নিয়মমাফিক নেতৃত্ব গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল।

ক্ষুদ্ৰ পৰিসৰত, অন্যান্য ঠাইটো অনুৰূপ দৃশ্যৰ অৱতাৰণা হোৱা দেখিবলৈ পোৱা গৈছিল। কানপুৰত চিপাহী আৰু নগৰৰ জনতাই পেছোৱা দ্বিতীয় বাজিৰাৱৰ উত্তৰাধিকাৰী নানা চাহিবক তেওঁলোকৰ নেতাৰূপে বিদ্ৰোহত অংশগ্ৰহণ কৰিবলৈ একপ্ৰকাৰ বাধ্য কৰিছিল। ঝাঞ্চিতো ৰাণী লক্ষ্মী বাঈক জনতাৰ হেঁচাই এই অভ্যুত্থানৰ নেতৃত্ব ল'বলৈ বাধ্য কৰিছিল। বিহাৰত আৰাহৰ স্থানীয় জমিদাৰ কোঁৱৰ সিংহৰ ক্ষেত্ৰতো একেই অৱস্থা হৈছিল। অন্যহাতে অযোধ্যাত জনপ্ৰিয় প্ৰাক্তন নৱাব ৱাজিদ আলি খাঁৰ স্থানচ্যুতি আৰু ৰাজ্য চামিলকৰণৰ স্মৃতি জনমানসত তেতিয়াও সজীৱ হৈয়েই আছিল। ইয়াত লক্ষ্ণৌৰ জনতাই প্ৰাক্তন নৱাবৰ পুত্ৰ হিৰ্জিশ কাদিৰক তেওঁলোকৰ নেতা হিচাপে ঘোষণা কৰি, বৃটিশ শাসনৰ পতনোৎসৱ পালন কৰিছিল।

সকলো ঠাইতে অৱশ্যে নেতাসকল যে কেৱল ৰজা, ৰাণী, নৱাব, তালুকদাৰ আদি দৰকাৰী লোকহে আছিল, কথাটো তেনেকুৱাও নাছিল। উদাহৰণস্বৰূপে, বিদ্ৰোহৰ বতৰাবিলাক প্ৰায়ে সাধাৰণ মুনিহ-তিৰোতা আৰু কিছু কিছু ঠাইত ধৰ্মীয় লোকসকলেও কঢ়িয়াইছিল। মীৰাটৰপৰা অহা বাতৰি অনুসৰি, হাতীৰ পিঠিত উঠি ঘূৰি ফুৰা ফকিৰ এজনক বিদ্ৰোহী চিপাহীসকলে সঘনাই দেখা কৰিছিল। অযোধ্যাৰ চামিলকৰণৰ পাছত লক্ষ্ণৌতো বহুতো নেতা আৰু স্বয়ম্ভু সিদ্ধপুৰুষে বৃটিশ ৰাজত্ব নাশ কৰাৰ দীক্ষা দিছিল।

অন্যান্য ঠাইতো কিছুমান স্থানীয় নেতাৰ উত্থান ঘটিছিল, যিসকলে কৃষক, জমিদাৰ আৰু জনজাতীয় লোকসকলক বিদ্ৰোহৰ বাবে অহ্বান জনাইছিল। উদাহৰণস্বৰূপে, শ্বাহ মল নামৰ ব্যক্তিজনে উত্তৰ প্ৰদেশৰ বাৰুট পৰগনাৰ গাওঁসকলক বিদ্ৰোহী কাৰ্য-কলাপৰ প্ৰতি সঞ্চালিত কৰিছিল। আনহাতে, ছোটনাগপুৰৰ চিংভূমত কোনো জনজাতিৰ বিদ্ৰোহী নেতা হৈছিলগৈ গণো নামৰ জনজাতীয় কৃষক এজন।

# ১৮৫৭-ৰ দুজন বিদ্ৰোহী

## শ্বাহ মল

উত্তৰ প্ৰদেশৰ বাৰুট পৰগনাৰ এখন বিশাল গাঁৱৰ বাসিন্দা আছিল শ্বাহ মল। তেওঁ জাট কৃষক সম্প্ৰদায়ৰ এজন সদস্য আছিল যাৰ আত্মীয়তাৰ বন্ধন সমগ্ৰ চৌৰাশী দেশ (চৌৰাশীখন গাঁও) জুৰি সম্প্ৰসাৰিত আছিল। এই অঞ্চলটো ক'লা চানেকীয় অতি সাৰুৱা মাটি আৰু জলসিঞ্চনৰ সুবিধাৰে সৈতে এক সমৃদ্ধ অঞ্চল আছিল। এই গাঁওবাসীসকলৰ সৰহভাগেই অৱস্থাপন্ন লোক আছিল আৰু সকলোৱেই বৃটিশ ভূমি-ৰাজহ ব্যৱস্থাটো অত্যন্ত শোষণমূলক আছিল বুলি বিবেচনা কৰিছিল। কিয়নো এই ৰাজহ দাবী অতি উচ্চ হাৰৰ আছিল আৰু ইয়াক আদায় কৰা ব্যৱস্থাটো খুউৱ অনমনীয় আছিল। পৰিণতিত খেতিয়কসকলৰ খেতি-মাটি ক্ৰমান্বয়ে বাহিৰা লোকৰ হাতলৈ যাবলৈ আৰম্ভ কৰিছিল আৰু বেপাৰী তথা শাহুকাৰসকল তেওঁলোকে অঞ্চললৈ অঞ্চললৈ সোমাই আহিবলৈ আৰম্ভ কৰিছিল।

শ্বাহ মলে নিশাৰ ভাগত গাঁৱৰ পাছত পৰিভ্ৰমণ কৰি মানুহ বৃটিশৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ উদ্বুদ্ধ কৰি ফুৰিছিল। এনেদৰেই তেওঁ চৌৰাশী দেশৰ কৃষক আৰু গাঁওবুঢ়াসকলক বৃটিশৰ বিৰুদ্ধে সঞ্চালন কৰিছিল। অন্যান্য বহুতো ঠাইৰ নিচিনাকৈ এই অঞ্চলতো বৃটিশৰ বিৰুদ্ধে এটা সৰ্বাত্মক বিদ্ৰোহে গা কৰি উঠিছিল আৰু শোষণ, অন্যায়ৰ সকলো প্ৰতীকেই বিদ্ৰোহীসকলৰ আক্ৰমণৰ লক্ষ্যলৈ বেপাৰীসকলৰ ঘৰত লুটপাত চলাইছিলগৈ। নিজৰ ভূমি-সম্পত্তি হেৰুৱাবলগীয়া হোৱাসকলে বিদ্ৰোহৰ ধামখুমীয়াত সেইবোৰ পুনৰুদ্ধাৰ কৰিছিল। শ্বাহ মলৰ অনুগামীসকলে চৰকাৰী ভৱনবোৰ আক্ৰমণ কৰিছিল, নদীৰ ওপৰৰ দলং ভাঙিছিল, আৰু পকী ৰাস্তাবোৰ ঠায়ে ঠায়ে খান্দি পেলাইছিল। এই দলং ভঙা আৰু ৰাস্তা খন্দাৰ এটা কাৰণ আছিল উক্ত অঞ্চললৈ চৰকাৰী বাহিনীৰ আগমন প্ৰতিৰোধ কৰা। ইয়াৰ আনটো কাৰণ আছিল এয়ে যে এই দলং আৰু পকী ৰাস্তাবোৰক বৃটিশ শাসনৰ প্ৰতীক বুলি গণ্য কৰা হৈছিল। তেওঁলোকে দিল্লীৰ বিদ্ৰোহী চিপাহীসকললৈ বাৰুদ-পাতি পঠিয়াইছিল আৰু মীৰাট আৰু বৃটিশ সদৰৰ মাজৰ সকলো চৰকাৰী যোগাযোগ ব্যাহত কৰিছিল। স্থানীয়ভাৱে 'ৰজা' বুলি স্বীকৃত শ্বাহ মলে এজন বৃটিশ বিষয়াৰ বঙলা এটা দখল কৰি, বিভিন্ন বিবাদৰ মীমাংসা আৰু ন্যায়-বিচাৰৰ দ্বাৰা ইয়াক এক 'ন্যায়ৰ সভাঘৰ'—লৈ ৰূপান্তৰিত কৰিছিল। তেওঁ এটা আচৰিতভাৱে সক্ৰিয় চোৰাংচোৱা চক্ৰত গঢ়ি তুলিছিল। এছোৱা কাল ধৰি, এই অঞ্চলৰ জনসাধাৰণে 'ফিৰিঙ্গি ৰাজ'-ৰ ওৰ পৰি নিজৰ 'ৰাজ' আহিল বুলি অনুভৱ কৰিছিল।


১৮৫৭-ৰ জুলাই মাহত ৰণক্ষেত্ৰতে শ্বাহ মলৰ মৃত্যু হৈছিল।

## মৌলৱী আহমদ-উল্লাহ শ্বাহ

১৮৫৭-ৰ মহাবিদ্ৰোহত বিশিষ্ট ভূমিকা পালন কৰা বহুসংখ্যক মৌলবীৰ ভিতৰত অন্যতম আছিল মৌলবী আহমদ-উল্লাহ শ্বাহ। হায়দৰাবাদত শিক্ষা গ্ৰহণ কৰি খুউৱ কম বয়সতে তেওঁ পুৰোহিত হৈছিল। ১৮৫৬ খৃষ্টাব্দত তেওঁক গাঁৱে গাঁৱে জনসাধাৰণক বৃটিশৰ বিৰুদ্ধে 'জেহাদ' (ধৰ্মযুদ্ধ)-ৰ প্ৰচাৰ কৰি বিদ্ৰোহ কৰিবলৈ উদ্বুদ্ধ কৰি ফুৰা দেখিবলৈ পোৱা গৈছিল। তেওঁ এখন দোলাত উঠি ঘূৰি ফুৰিছিল। তেওঁৰ দোলাৰ আগে আগে গৈছিল ডবা বাদকসকল আৰু পিছে পিছে গৈছিল অনুগামীসকল। সেয়েহে তেওঁ ডঙ্কা শ্বাহ নামেৰেহে বেছি জনাজাত আছিল— অৰ্থাৎ ডঙ্কা (ডবা) থকা মৌলবী। হাজাৰ হাজাৰ লোকে তেওঁক অনুসৰণ কৰা আৰু বহুতো মুছলমান লোকে তেওঁক এজন দৈৱজ্ঞানী সিদ্ধপুৰুষ বুলি ভাবিবলৈ ধৰা দেখি, বৃটিশ বিষয়াসকল আতঙ্কিত হৈছিল। ১৮৫৬-ত তেওঁ যেতিয়া লক্ষ্ণৌত উপস্থিত হৈছিলগৈ, তেতিয়া আৰক্ষীয়ে তেওঁক নগৰত প্ৰচাৰকাৰ্য চলোৱাত বাধা দিছিল। পিছত, ১৮৫৭-ত খৃষ্টাব্দত তেওঁক ফৰিদাবাদত কাৰাবন্দী কৰা হৈছিল। পিছত তেওঁক যেতিয়া মুক্তি দিয়া হৈছিল, তেতিয়া বিদ্ৰোহী ২২ -তম থলুৱা পদাতিক বাহিনীয়ে তেওঁক তেওঁলোকৰ নেতাৰূপে নিৰ্বাচিত কৰিছিল। তেওঁ বিখ্যাত চিনাহাটৰ যুদ্ধত অংশগ্ৰহণ কৰিছিল, যি যুদ্ধত হেনৰী ল'ৰেঞ্চৰ অধীনস্থ বৃটিশ বাহিনী পৰাজিত হৈছিল। তেওঁ তেওঁৰ সাহস আৰু পৰাক্ৰমৰ বাবে বিখ্যাত হৈ পৰিছিল। প্ৰকৃততে বহুলোকে তেওঁক অপৰাজেয়, যাদুশক্তিৰ অধিকাৰী বুলি আৰু বৃটিশৰ দ্বাৰা অবধ্য বুলি বিশ্বাস কৰিছিল। এই বিশ্বাসেই আংশিকভাৱে তেওঁ কৰ্তৃত্বৰ ভেটি তৈয়াৰ কৰিছিল।

DailyAssam.Com





**আৰ্হি ১১.৫**

হেন্‌ৰি হাৰ্ডিঞ্জ্, ফ্ৰাঞ্চিচ্ গ্ৰাটৰদ্বাৰা অংকিত, ১৮৪৯ গৱৰ্ণৰ জেনেৰেলৰূপে হাৰ্ডিঞ্জে সেনা-বাহিনীৰ অস্ত্ৰ-শস্ত্ৰৰ আধুনিকীকৰণ বাবে চেষ্টা কৰিছিল। তেওঁ প্ৰচলন কৰা এন্‌ফিল্ড্ ৰাইফলবিলাকত প্ৰথম অৱস্থাত চৰ্বি সনা গুলী ব্যৱহাৰ কৰা হৈছিল, যিটোৰ বিৰুদ্ধে চিপাহীসকলে বিদ্ৰোহ কৰিছিল।

## ১.৪ উৰা-বাতৰি আৰু ভৱিষৎবাণীবোৰ

সাধাৰণ জনতাক সক্ৰিয় কৰি তোলাত বিদ্ৰোহকালীন উৰা-বাতৰি আৰু ভৱিষ্যবাণীবোৰেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আমি ইতিমধ্যে দেখা পাইছোঁ যে মীৰাটৰপৰা দিল্লীত গৈ উপস্থিত হোৱা চিপাহীসকলে বাহাদুৰ শ্বাহৰ আগত নতুনকৈ প্ৰচলন কৰা এনফিল্ড্ ৰাইফলৰ কথা উল্লেখ কৰিছিল। এই ৰাইফলবিধক কেন্দ্ৰ কৰি এটা বাতৰিৰ সৃষ্টি হৈছিল যে ইয়াৰ গুলীত থকা পাতল, তেলেতীয়া বাকলিত গৰু আৰু গাহৰিৰ চৰ্বি সনা আছিল। গুলীটো ব্যৱহাৰ কৰাৰ পূৰ্বে দাঁতেৰে কামুৰি তেলেতীয়া বাকলিখন গুচাই ল'ব লাগিছিল। গৰু আৰু গাহৰিৰ চৰ্বি সনা এনে গুলী দাঁতেৰে কামুৰিলে, হিন্দু আৰু মুছলমান চিপাহীসকলে নিজৰ নিজৰ ধৰ্ম নষ্ট হ'ব বুলি ভয় কৰিছিল। বৃটিশে চিপাহী সকলক এই উৰা-বাতৰিৰ কোনো ধৰণৰ সত্যতা নাই বুলি বুজাবলৈ চেষ্টা কৰিছিল। কিন্তু বৃটিশসকলৰ যৎপৰোনাস্তি চেষ্টাৰ পাছতো নতুন গুলীবোৰত গুৰু আৰু গাহৰিৰ চৰ্বি সনা থকাৰ উৰা-বাতৰি সমগ্ৰ উত্তৰ ভাৰতৰ চিপাহীৰ আৱাসিক শাৰীবোৰত বনজুইৰ নিচিনাকৈ বিয়পি পৰিছিল।

এই উৰা-বাতৰিৰ মূল উৎসৰ বিষয়ে জনাইছিল ৰাইফল প্ৰশিক্ষণ আড্ডাৰ সেনাধ্যক্ষ, কেপ্তেইন ৰাইটে। তেওঁ জনাইছিল যে দমদমৰ উক্ত প্ৰশিক্ষণ খাৰঘৰত কৰ্মৰত জনৈকি নীহকুলীয়া খালাচী এজনে এদিন তেওঁৰ লগত এজন ব্ৰাহ্মণ চিপাহীক তেওঁৰ লোটাৰ পৰা অলপ খোৱাপানী খুজিছিল। সেয়া আছিল ১৮৫৭ খৃষ্টাব্দৰ জানুৱাৰী মাহৰ তৃতীয় সপ্তাহ কোনোবা এটা দিন। ব্ৰাহ্মণ চিপাহীজনে নীহ্‌কুলীয়া ব্যক্তিৰ স্পৰ্শত তেওঁ লোটাটো অশুচি হোৱাৰ ভয়ত খালাচীজনক খোৱাপানী দিবলৈ অমান্তি হৈছিল। খালাচীজনে তেতিয়া তেওঁক ওলোটাই জবাব দিছিল যে 'তুমি এনেয়েও অনতি পলমে তোমাৰ জাত হেৰুৱাবা; কিয়নো তুমি গৰু আৰু গাহৰিৰ চৰ্বি সনা গুলীৰ বাকলি কামুৰিব লাগিব।' আমি এই বাতৰিৰ সত্যনিষ্ঠাতাৰ বিষয়ে খাটাংকৈ একো ক'ব নোৱাৰো। কিন্তু এবাৰ এই উৰা-বাতৰি সৃষ্টি হোৱাৰ লগে লগে বৃটিশ বিষয়াসকলে যিমানেই ভৰসা দিবলৈ চেষ্টা কৰিও ইয়াৰ প্ৰচাৰ আৰু চিপাহীসকলৰ মাজত ধৰ্ম নষ্ট হোৱাৰ আতংক ৰোধ কৰিব পৰা নাছিল।

১৮৫৭ খৃষ্টাব্দৰ আৰম্ভণিতে উত্তৰ ভাৰতত প্ৰচাৰিত ইয়েই একমাত্ৰ উৰা-বাতৰি নাছিল। বৃটিশ চৰকাৰে হিন্দু আৰু মুছলমানসকলৰ ধৰ্ম নাশ কৰিবলৈ ইয়াতকৈও সাংঘাতিক ষড়যন্ত্ৰ ৰচনা কৰা বুলিও এটা উৰা-বাতৰি ওলাইছিল। এই উৰা-বাতৰি মতে, বৃটিশসকলে এনে অসৎ উদ্দেশ্য চৰিতাৰ্থ কৰাৰ অৰ্থে মুকলি বজাৰত বিক্ৰী হোৱা আটাত গৰু আৰু গাহৰিৰ হাড়ৰ গুড়ি মিহলি কৰিছিল। ফলত, নগৰ আৰু ছাউনিবোৰত সাধাৰণ জনতা আৰু চিপাহীসকলে এনে অপমিশ্ৰিত আটা স্পৰ্শ কৰিবলৈকে অমান্তি হৈছিল। এনে পৰিস্থিতিত এক ভয় আৰু সন্দেহ সৃষ্টি হৈছিল যে এনেবিলাক কু-কৰ্মৰ দ্বাৰা বৃটিশসকলে ভাৰতীয় লোকক খ্ৰীষ্টিয়ান ধৰ্মলৈ ধৰ্মান্তৰিক কৰিবলৈ পাং পাতিছিল। সৰ্বস্তৰৰ ভাৰতীয়ৰ মাজত এই আতংক আৰু সন্দেহৰ ভাৱ দ্ৰুতগতিত বিয়পি পৰিছিল। বৃটিশ বিষয়াসকলে এই ভয় দূৰ কৰিবলৈ নিষ্ফল চেষ্টা চলাইছিল। ধৰ্মনাশৰ এনে ভয়ে মানুহক নিজৰ ধৰ্ম ৰক্ষাৰ বাবে সক্ৰিয় কৰি তুলিছিল। ১৮৫৭ খৃষ্টাব্দৰ ২৩ জুনৰ পলাশী যুদ্ধৰ শতবৰ্ষত বৃটিশ শাসনৰ ওৰ পৰিব বুলি কথা বহুল প্ৰচাৰিত ভৱিষ্যৎবাণীটোৱেও এনে সক্ৰিয়তাক সাৰ-পানী যোগাইছিল।

উক্ত সময়ত কেৱল উৰা-বাতৰিৰে প্ৰচাৰ হোৱা নাছিল। উত্তৰ ভাৰতৰ বিভিন্ন অঞ্চলৰপৰা গাঁৱে গাঁৱে চাপাটি (ৰুটী) বিতৰণ কৰি ফুৰাৰ বাতৰি

আহিছিল। বাতৰি অনুসৰি, ৰাতি ৰাতি গাঁওবোৰলৈ আহি একোজন অচিনাকী মানুহে গাঁৱৰ চকীদাৰৰ হাতত একোখনকৈ ৰুটী দিছিল। তাৰ পাছত চকীদাৰজনক তেনেকুৱা আন পাঁচখন ৰুটী নিজে বনাই, অন্য কাষৰীয়া পাঁচখন গাঁৱত বিলাবলৈ অনুৰোধ কৰা হৈছিল। ইয়াৰ পাছত একেই প্ৰক্ৰিয়াৰ বাৰম্বাৰ পুনৰাবৃত্তি ঘটিছিল। ৰাতি ৰাতি এনেদৰে গাঁৱে গাঁৱে ৰুটী বিচৰণৰ তাৎপৰ্য আৰু উদ্দেশ্য তেতিয়া আৰু আনকি এতিয়াও স্পষ্ট নহয়। কিন্তু জনতাই নিঃসন্দেহে এই ঘটনাক অদূৰ ভৱিষ্যতে এক অভ্যুত্থানৰ আগলি বতৰা বুলি বিবেচনা কৰিছিল।

## ১.৫ জনসাধাৰণে উৰা বাতৰিবোৰ কিয় বিশ্বাস কৰিছিল?

এনে উৰা-বাতৰিবোৰৰ সত্যাসত্য নিৰূপণৰ দ্বাৰা ইতিহাসৰ ওপৰত ইহঁতৰ প্ৰভাৱ কিমান তাক আমি বুজিব নোৱাৰো। ইয়াৰ বাবে আমি উৰা-বাতৰিবোৰে ইহঁতৰ বিশ্বাস কৰা জনসাধাৰণৰ মানসিকতা অৰ্থাৎ ভয়-সংশয়, বিশ্বাস আৰু আস্থাক কেনেকৈ প্ৰতিফলিত কৰিছিল তালৈ মন কৰিব লাগিব। উৰা-বাতৰিবোৰৰ দ্ৰুত প্ৰচাৰ হয় তেতিয়াই যেতিয়া ইবিলাকৰ মাজেদি জনসাধাৰণৰ গভীৰতম শংকা আৰু সন্দেহ প্ৰতিধ্বনিত হয়।

১৮২০ -ৰ দশকৰ শেষ কালছোৱাৰপৰা বৃটিশসকলে অনুধাৱন কৰা বিভিন্ন নীতিৰ প্ৰেক্ষাপটত ১৮৫৭ খৃষ্টাব্দ মানলৈ এই উৰা-বাতৰিবোৰে জন-মানসত অৰ্থবহ হৈ দেখা দিবলৈ আৰম্ভ কৰিছিল। তোমালোকে জানা যে উক্ত কালচোৱাৰপৰাই গভৰ্নৰ জেনেৰেল লৰ্ড উইলিয়ামে বেটিংকৰ নেতৃত্বত বৃটিশসকলে পশ্চিমীয়া শিক্ষা, ধ্যান-ধাৰণা আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰৱৰ্তন কৰি, ভাৰতীয় সমাজৰ 'সংস্কাৰ' সাধনৰ উদ্দেশ্যে বিভিন্ন নীতি অৱলম্বন কৰিছিল। ভাৰতীয় সমাজৰ কিছু অংশৰ সক্ৰিয় সহযোগিতাত তেওঁলোকে ইংৰাজী মাধ্যমৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়বোৰ প্ৰতিষ্ঠা কৰিছিল। এইবোৰে পাশ্চাত্যৰ বিজ্ঞান আৰু উদাৰনৈতিক কলাৰ শিক্ষা প্ৰদান কৰিছিল। তাৰোপৰি, বৃটিশে সতীদাহ (১৮২৯)-ৰ দৰে প্ৰথা বৰ্জন আৰু হিন্দু বিধবাসকলৰ পুনৰ্বিবাহৰ অনুমতি প্ৰদান কৰিবলৈ নতুন আইন প্ৰণয়ন কৰিছিল।

অপশাসনৰ অজুহাত আৰু পুষ্যপুত্ৰ গ্ৰহণ প্ৰথাক অগ্ৰাহ্য কৰি বৃটিশসকলে কেৱল অযোধ্যাই নহয়, ঝাঁসী, চাতাৰা আদি বহুতো ভাৰতীয় ৰাজ্য বৃটিশ সাম্ৰাজ্যৰ সৈতে চামিল কৰিছিল। ৰাজ্যবোৰ চামিল কৰাৰ পিছতেই বৃটিশসকলে এইবিলাকত তেওঁলোকৰ নিজা প্ৰশাসনিক ব্যৱস্থা, আইন-কানুন, মাটি বন্দৱস্তি আৰু ৰাজহ সংগ্ৰহ পদ্ধতি প্ৰৱৰ্তন কৰিছিল। উত্তৰ ভাৰতৰ জনসমানত এই নতুন ব্যৱস্থাবোৰৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি ক্ষোভ পুঞ্জীভূত হৈ আছিল।

জনসাধাৰণৰ এনেকুৱা ধাৰণা হৈছিল যে তেওঁলোকে অতি প্ৰিয় আৰু পৱিত্ৰ বুলি জ্ঞান কৰা প্ৰতিটো বস্তু বা ব্যৱস্থা—ৰজা-মহাৰজা তথা সামাজিক, ধাৰ্মীক প্ৰথাৰপৰা আৰম্ভ কৰি, ভূমি-অধিকাৰ আৰু ৰাজহ পৰিশোধ ব্যৱস্থালৈকে এই সকলোবিলাকৰ বিলোপ ঘটোৱা হৈছিল। ইবিলাকক স্থানচ্যুত কৰা হৈছিল তুলনামূলকভাৱে অধ্যাধিক নৈৰ্ব্যক্তিক, শোষণমূলক আৰু সম্পূৰ্ণৰূপে বিজতৰীয়া একক ব্যৱস্থাৰ দ্বাৰা। জনসাধাৰণৰ এনেবোৰ ধাৰণাক বেছি বদ্ধমূল কৰি তুলিছিল খ্ৰিষ্টীয়ান ধৰ্ম-প্ৰচাৰকসকলৰ কাৰ্য-কলাপে। অনিশ্চয়তাৰ এনে এক বাতাৱৰণত, উৰা-বাতৰিবোৰে অভাৱনীয় ক্ষিপ্ৰতাৰে মানুহৰ মাজত প্ৰচাৰিত হৈছিল।

১৮৫৭ খৃষ্টাব্দৰ বিদ্ৰোহৰ আধাৰ আৰু আঁতি-গুৰিৰ সম্ভেদ ল'বলৈ আমি অযোধ্যালৈ লক্ষ্য কৰিব লাগিব—যি অযোধ্যা আছিল ১৮৫৭ খৃষ্টাব্দৰ বিদ্ৰোহনাটৰ মূল মঞ্চবোৰৰ অন্যতম।

➲ এই আলোচনা কৰা....

এই দফাটো আৰু এবাৰ পঢ়ি চোৱা বিদ্ৰোহৰ কালছোৱাত বিভিন্ন নেতাসকলৰ উত্থানৰ প্ৰক্ৰিয়াত তুমি লক্ষ্য কৰা সাদৃশ্য আৰু বৈসাদৃশ্যবোৰ ব্যাখ্যা কৰা। ইয়াৰে যিকোনো দুজন নেতাৰ ক্ষেত্ৰত, জনসাধাৰণ কিয় তেওঁলোকৰ ওচৰ চাপি আহিছিল, তাক আলোচনা কৰা।

## ২. মহাবিদ্ৰোহত অযোধ্যা

### ২.১ 'এটা চেৰীফল. যি এদিন তোমাৰ মুখত সোমাব'

১৮৫১ খৃষ্টাব্দত অযোধ্যা সম্পৰ্কে গভৰ্নৰ জেনেৰেল লৰ্ড ডেলহাউচিয়ে মন্তব্য কৰিছিল যে ই হ'ল, 'এটা চেৰীফল, যি এদিন তোমাৰ মুখত সোমাব।" ইয়াৰ পাঁচ বছৰৰ পাছত অযোধ্যাক আনুষ্ঠানিকভাৱে বৃটিশ সাম্ৰাজ্যৰ সৈতে চামিল কৰা হৈছিল। আচলতে কেইবাটাও পৰ্যায়ৰ অন্তত, অযোধ্যা বিজয় সম্পূৰ্ণ হৈছিল। পোন প্ৰথমতে, ১৮০১ খৃষ্টাব্দত অযোধ্যাত বশ্যতামূলক মিত্ৰতা নীতি আৰোপ কৰা হৈছিল এই সন্ধিৰ চৰ্ত অনুসৰি নবাবে তেওঁৰ সেনাবাহিনীটো ভঙ্গ কৰিব লগা হৈছিল আৰু এটা বৃটিশ সেনা-বাহিনী তেওঁৰ ৰাজ্যৰ যিকোনো স্থানত ৰাখিবলৈ দিব লগাত পৰিছিল আৰু ৰাজসভাতে নিযুক্ত এজন বৃটিশ ৰেচিডেণ্ট (ৰাজপ্ৰতিনিধি)—ৰ পৰামৰ্শ অনুসৰি কাৰ্য্যনিৰ্বাহ কৰিব লগাত পৰিছিল। নিজা সৈন্য শক্তিৰ পৰা বঞ্চিত হৈ, ৰাজ্যৰ আইন-শৃংখলা ৰক্ষাৰ বাবেও নৱাবে ক্ৰমবৰ্ধিতভাৱে বৃটিশৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছিল। বিদ্ৰোহী মুখিয়াল আৰু তালুকদাৰসকলৰ ওপৰত তেওঁ পূৰ্বৰ দৰে নিজৰ কৰ্তৃত্ব খটুৱাব নোৱাৰা হৈ পৰিছিল।

ৰেচিডেণ্ট (ৰাজপ্ৰতিনিধি) হ'ল গভৰ্নৰ জেনেৰেলৰ একো একোজন প্ৰতিনিধিৰ পদবী। তেওঁলোকে বৃটিশৰ প্ৰত্যক্ষ শাসনৰ অধীনত নথকা ৰাজ্যসমূহত বাস কৰিছিল।

ইতিমধ্যে অযোধ্যা-ভূমি দখল কৰিবলৈ বৃটিশসকল দিনক দিনে ব্যগ্ৰ হৈ উঠিছিল। কিয়নো তেওঁলোকে ইতিমধ্যে বুজি উঠিছিল যে এই ৰাজ্যখনৰ উৰ্বৰ ভূমি নীল আৰু কপাহ উৎপাদনৰ বাবে বৰ উপযোগী আছিল। তদুপৰি, ভৱিষ্যতে উজনি ভাৰতৰ এখন মুখ্য বজাৰৰূপে গঢ়ি তুলিবলৈকো অঞ্চলটো বৰ সুবিধাজনক স্থানত অৱস্থিত আছিল। ইতিপূৰ্বে ১৮৫০-ৰ দশকৰ প্ৰথমছোৱাৰ ভিতৰত বৃটিশসকলে মাৰাঠা ভূমি, দোৱাৰ অঞ্চল, কৰ্ণাটক, পাঞ্জাৱ আৰু বঙ্গৰ দৰে ভাৰতবৰ্ষৰ সকলো গুৰুত্বপূৰ্ণ অঞ্চল জয় কৰিছিল। আশা অনুযায়ী, ১৮৫৬ খৃষ্টাব্দত অযোধ্যা দখলৰ জৰিয়তে এশ বছৰৰ পূৰ্বে বঙ্গ-বিজয়েৰে আৰম্ভ কৰা বৃটিশসকলৰ ৰাজ্য চামিলকৰণ প্ৰক্ৰিয়া বাহিৰ ওলাই গৈছিল।'

### বশ্যতামূলক মিত্ৰতা নীতি

বশ্যতামূলক মিত্ৰতা নীতি লৰ্ড ৱেলেচলিয়ে ১৭৯৮ খৃষ্টাব্দত উদ্ভাৱন কৰা এটা ব্যৱস্থা আছিল। বৃটিশৰ সৈতে এনে মিত্ৰতা নীতিৰ আৱদ্ধ চৰ্ত মানি চলিব লাগিছিলঃ

(ক) মিত্ৰৰাজ্যবোৰক যিকোনো আভ্যন্তৰীণ তথা বাহিৰাগত ভাবুকিৰ পৰা ৰক্ষা কৰিবলৈ বৃটিশসকল দায়বদ্ধ থাকিব।

(খ) মিত্ৰৰাজ্যত এটা সশস্ত্ৰ বৃটিশ সেনা-বাহিনী ৰখা হ'ব।

(গ) উক্ত সৈন্য-বাহিনীটোৰ প্ৰতিপালনৰ বাবে মিত্ৰৰাজ্যখনে সম্পূৰ্ণ খা-খৰচ বহন কৰিব লাগিব।

(ঘ) মিত্ৰৰাজ্যখনে বৃটিশৰ আগতীয়া অনুমতি সাপেক্ষেহে অন্য ৰাজ্যৰ সৈতে সন্ধি স্থাপন নাইবা কাৰোবাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব পাৰিব।

### ২.২ 'দেহাৰ পৰা প্ৰাণটো বাহিৰ ওলাই গৈছিল'

লৰ্ড ডেলাহাউচিৰ চামিলকৰণ নীতিয়ে সকলোতে অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। উত্তৰ ভাৰতৰ হৃৎদপিণ্ড স্বৰূপ অযোধ্যাত এই ক্ষেত্ৰত আটাইতকৈ বেছি অসন্তুষ্টিৰ সৃষ্টি হৈছিল। অপশাসনৰ অজুহাত দেখুৱাই অযোধ্যাৰ নৱাব ৱাজিদ আলি শ্বাহক সিংহাসনচ্যুত কৰি, কলিকতালৈ নিৰ্বাসিত কৰা হৈছিল। বৃটিশ চৰকাৰে ভুলতে ৱাজিদ আলি শ্বাহক এজন জনতাৰ বিৰাগ ভাজন শাসক বুলি ধাৰণা কৰিছিল। ইয়াৰ বিপৰীতে তেওঁ আচলতে এজন বহুলভাৱে জনপ্ৰিয় শাসকহে আছিল। সেয়েহে যেতিয়া তেওঁ তেওঁৰ মৰমৰ চহৰ লক্ষ্ণৌ ত্যাগ কৰিছিল, তেতিয়া তেওঁৰ অজস্ৰ অনুৰাগীয়ে শোকৰ গীত গাই গাই কানপুৰ পৰ্যন্ত তেওঁক অনুসৰণ কৰিছিল।

নৱাবৰ নিৰ্বাসনৰ ফলত সৃষ্টি হোৱা সৰ্বব্যাপী শোক আৰু ক্ষতিৰ অনুভৱক বহু সমসাময়িক নিৰীক্ষকে বৰ্ণনা কৰি থৈ গৈছিল। তেওঁলোকৰ ভিতৰৰে এজনে লিখিছিল —' দেহাৰ পৰা প্ৰাণটো বাহিৰ ওলাই গৈছিল, আৰু

DailyAssam.Com

মানচিত্ৰ ১




চহৰখনৰ দেহাটো যেন প্ৰাণহীন হৈ পৰিছিল...... চহৰৰ এনে কোনো পথ, হাট বা ঘৰ নাছিল, য'ৰ পৰা জান-ই-আলমক হেৰুওৱাৰ শোকত বিননি ভৰি অহা নাছিল।' এটা লোকগীতৰ বিলাপ আছিল এনেধৰণৰ যে 'ইংৰাজ বাহাদুৰ আহিল আৰু মুলুক কাঢ়ি নিছিল' ('অংৰেজ বাহাদুৰ আয়ি, মুল্ক্ লে' লিহুঁ')।

তাৎক্ষণিক বৈষয়িক ক্ষতিয়েও এই ক্ষোভানুভূতি অধিক তীব্ৰতৰ কৰি তুলিছিল। নৱাবৰ অপসাৰণে তেওঁৰ দৰবাৰ আৰু দৰবাৰী সংস্কৃতিৰ বিলুপ্তি ঘটাইছিল। ফলত গীতিকাৰ, নৰ্টক-নৰ্টকী, কবি, কাৰিকৰ, ৰান্ধনি, অনুচৰবৰ্গ আৰু নৱাবৰ প্ৰশাসনিক বিষয়াসকলকে ধৰি বহু শ্ৰেণীৰ লোক তাৎক্ষণিকভাৱে তেওঁলোকৰ জীৱিকাৰ পৰা বঞ্চিত হৈছিল।

### ২.৩ ফিৰিঙ্গী ৰাজ আৰু এখন জগতৰ পৰিসমাপ্তি

ক্ষোভৰ এক শৃংখলেৰে অযোধ্যাৰ ৰাজকুমাৰ, তালুকদাৰ, কৃষক আৰু চিপাহী সকলোৱে বান্ধ খাই আছিল। মূল্যবোধ, ভক্তি আৰু হেঁপাহৰ

**নৱাবৰ প্ৰস্থান**

মাতৃভূমি ত্যাগ কৰিবলগীয়া হোৱা নৱাবৰ শোকত অন্য এটা লোক গীতৰ বিলাপ আছিল এনে ধৰণৰ—

ডা-ডাঙৰীয়া আৰু কৃষকে একেলগে
উচুপি উঠিছিল আৰু সমগ্ৰ জগতখনেই
বিননি জুৰিছিল হায়! আমাৰ নেতাই
নিজ মাতৃভূমিক বিদায় দি, বিদেশলৈ
গ'লগৈ।

➲ গোটেই দফাটো ভালদৰে পঢ়ি চোৱা আৰু নৱাব ৱাজিদ আলি শ্বাহৰ নিৰ্বাসনত অযোধ্যাৰ জনসাধাৰণে কিয় শোক-বিলাপ জুৰিছিল তাৰ বিষয়ে আলোচনা কৰা।

DailyAssam.Com





আৰ্হি ১১.৬

অৱধৰ এজন জমিদাৰ, ১৮৮০

তেওঁলোকৰ নিজস্ব জগতখনৰ পৰিসমাপ্তিৰ বাবে তেওঁলোকে এই ফিৰিঙ্গী ৰাজকেই জগৰীয়া বুলি চিহ্নিত কৰিছিল। অনুভূতি আৰু প্ৰাসঙ্গিক বিষয়ৰ, পৰম্পৰা আৰু আনুগত্যৰ এক সামগ্ৰিক জটিলতাই ১৮৫৭ খৃষ্টাব্দৰ এই বিদ্ৰোহত সামূহিকভাৱে ক্ৰিয়া কৰিছিল। অন্য যিকোনো অঞ্চলতকৈ একমাত্ৰ আযোধ্যাতেই এই বিদ্ৰোহত বিদেশী শক্তিৰ বিৰুদ্ধে জন-প্ৰতিৰোধৰ আৱেগ আটাইতকৈ স্পষ্ট ৰূপত ফুটি উঠিছিল।

এই চামিলকৰণে কেৱল নৱাবকে নহয়, অযোধ্যাৰ তালুকদাৰসকলকো স্থানচ্যুত কৰিছিল। অযোধ্যাৰ গ্ৰামাঞ্চলবোৰত এনে বহুতো তালুকদাৰৰ মহল আৰু দুৰ্গ সিঁচৰতি হৈ আছিল যিসকলে বহু প্ৰজন্ম ধৰি, এই গ্ৰাম্যাঞ্চলবোৰৰ ভূ-সম্পত্তি আৰু ক্ষমতা নিয়ন্ত্ৰণ কৰি আহিছিল। বৃটিশৰ আগমনৰ পূৰ্বে এই তালুকদাৰসকলে যেতিয়ালৈকে নৱাবৰ আনুগাত্য মানি লৈ তালুকৰ ৰাজহ নিয়মিয়াকৈ আদায় দি আছিল, তেতিয়ালৈকে তেওঁলোকে নিজস্ব সশস্ত্ৰ অনুচৰ বাহিনী ৰাখিব পাৰিছিল, দুৰ্গ নিৰ্মাণ কৰিছিল আৰু একধৰণৰ স্বায়ত্ব শাসনৰ অধিকাৰ উপভোগ কৰিছিল। তুলনামূলকভাৱে ডাঙৰ তালুকদাৰ একোজনে ১২, ০০ পৰ্যন্ত আৰু আনকি পোৱালী তালুকদাৰ একেজনেও ২০০ -লৈকে পদাতিক সৈন্য একোটা বাহিনী পুহি ৰাখিছিল। কিন্তু বৃটিশসকল তালুকদাৰসকলৰ এই ক্ষমতা সহ্য কৰিবলৈ নাৰাজ আছিল। অযোধ্যাৰ চামিলকৰণৰ লগে লগে তালুকদাৰসকলক নিৰস্ত্ৰ কৰা হৈছিল আৰু তেওঁলোকৰ দুৰ্গবোৰ ধ্বংস কৰি পেলোৱা হৈছিল।

বৃটিশৰ ভূমি-ৰাজহ নীতিয়ে তালুকদাৰসকলৰ অৱস্থান আৰু কৰ্তৃত্বৰ আৰু অধিক অৱনতি ঘটাইছিল। চামিলকৰণৰ পাছত অযোধ্যাত সংক্ষিপ্ত বন্দৱস্তি (Summary Settlement) নামেৰে জনাজাত, বৃটিশৰ প্ৰথম ৰাজহ বন্দৱস্তি প্ৰৱৰ্তন কৰা হৈছিল ১৮৫৬ খৃষ্টাব্দত। তালুকদাৰসকল ভূমিৰ প্ৰতি কোনোধৰণৰ দায়বদ্ধতা নথকা একশ্ৰেণীৰ কেলেহুৱা ব্যক্তি, যিসকলে শক্তি আৰু জালিয়াতিৰ বলত ভূমিৰ ওপৰত নিজৰ দখল প্ৰতিষ্ঠা কৰিছিল— এনে এক ধাৰণাৰ ভিত্তিতেই এই সংক্ষিপ্ত বন্দৱস্তি আধাৰিত আছিল। গতিকে এই বন্দৱস্তিৰ অন্যতম লক্ষ্য আছিল যতদূৰ সম্ভৱ, তালুকদাৰসকলক স্থানচ্যুত কৰা। পৰিসংখ্যাই দেখুৱায় যে বৃটিশৰ পূৰ্ববৰ্তী কালত সমগ্ৰ অযোধ্যাৰ ৬৭ শতাংশ গাঁও তালুকদাৰসকলৰ অধীনস্থ আছিল; কিন্তু সংক্ষিপ্ত বন্দৱস্তিৰ জৰিয়তে ই ৩৮ শতাংশলৈ কমি আহিছিল। ইয়াৰ ভিতৰত দক্ষিণ অযোধ্যাৰ তালুকদাৰসকলেই আটাইতকৈ বেছি ক্ষতিগ্ৰস্থ হৈছিল। ইয়াৰে কিছুমানে পূৰ্বতে তেওঁলোকৰ অধীনত থকা আধাতকৈও গাঁও হেৰুৱাব লগীয়া হৈছিল।

বৃটিশ ভূমি-ৰাজহ বিষয়াসকলে বিশ্বাস কৰিছিল যে তালুকদাৰসকলক আঁতৰাব পাৰিলেহে তেওঁলোকে মাটিৰ প্ৰকৃত গৰাকীসকলৰ সৈতে বন্দৱস্তি কৰিব পাৰিব। ইয়াৰ ফলত কৃষকৰ ওপৰত শোষণৰ মাত্ৰা কমাৰ লগতে চৰকাৰৰ ৰাজহ আদায়ৰ পৰিমাণো বৃদ্ধি পাব বুলি তেওঁলোকে ভাবিছিল। কিন্তু বাস্তৱত সেয়া হোৱা নাছিলঃ ৰাজকোষলৈ ৰাজহ সোঁতৰ প্ৰাৱল্য বাঢ়িছিল, কিন্তু কৃষকৰ ওপৰত দাবীৰ বোজা কমা নাছিল। বিষয়াসকলে অনতিপলমে দেখিবলৈ পাইছিল যে অযোধ্যাৰ বৃহত্তৰ অঞ্চলতেই আচলতে ৰাজহ অত্যাধিক মূল্যাঙ্কন কৰা হৈছিল। কিছুমান অঞ্চলত ৰাজহ দাবীৰ হাৰ ৩০-ৰ পৰা ৭০ শতাংশ পৰ্যন্ত বৃদ্ধি কৰা হৈছিল। গতিকে তালুকদাৰসকলেই হওঁক নাইবা কৃষকেই হওক, চামিলকৰণৰ দ্বাৰা কোনেও সুখী হ'ব পৰা নাছিল।

DailyAssam.Com



তালুকদাৰসকলৰ স্থানচ্যুতি মানেই আছিল এক সামগ্ৰিক সমাজ ব্যৱস্থাৰ অৱলুপ্তি ঘটা। ইয়াৰ ফলত তালুকদাৰ আৰু কৃষকসকলৰ মাজত ব্যৱস্থাৰ অৱলুপ্তি ঘটা। ইয়াৰ ফলত তালুকদাৰ আৰু কৃষকসকলৰ মাজত পৰম্পৰাগত আনুগত্য আৰু পৃষ্ঠপোষকতাৰ যি পাৰস্পৰিক বান্ধোন আছিল, সি ছিঙি পৰিছিল। বৃটিশ শাসনৰ পূৰ্ববৰ্তী কালত, তালুকদাৰসকল নিঃসন্দেহে এক শোষক শ্ৰেণীয়েই আছিল। কিন্তু তাৰ মাজৰে কিছুসংখ্যক আকৌ কৃষকসকলৰ বাবে দয়ালু, পিতৃবৎ ব্যক্তি স্বৰূপ আছিল। কৃষকসকলৰপৰা তেওঁলোকে বিভিন্ন ধৰণৰ পাওনা আদায় কৰিছিল। কিন্তু প্ৰয়োজনৰ সময়ত কৃষকসকলৰ দুখ-দুৰ্গতিৰ কথা প্ৰায় সহানুভূতি সহকাৰে বিবেচনা কৰিছিল। এতিয়া বৃটিশৰ অধীনত কৃষকসকল প্ৰত্যক্ষভাৱে ৰাজহৰ অতি-মূল্যায়ন তথা ৰাজহ দায় অনমনীয় ব্যৱস্থাৰ কবলত পৰিছিল। এতিয়াৰপৰা আৰু নাটনিৰ বেয়া ফচলৰ দিনত চৰকাৰে যে ৰাজহ দাবীৰ পৰিমাণ হ্ৰাস কৰিব, নাইবা ৰাজহ আদায় দিন পিছুৱাই দিব, তেনেকুৱা একো নিশ্চয়তা নাইকীয়া হৈছিল। নাইবা পূৰ্বতে তালুকদাৰসকলে কৰাৰ দৰে উৎসৱ-পাৰ্বণৰ সময়ত কৃষকসকল ঋণ দি সহায় কৰাৰো দিন উকলিছিল।

১৮৫৭-ৰ মহাবিদ্ৰোহৰ কালত অযোধ্যাৰ দৰে যিবোৰ অঞ্চলত প্ৰতিৰোধ সংগ্ৰাম তীব্ৰতৰ আৰু দীৰ্ঘস্থায়ী আছিল, সেইবোৰত যুঁজ দিছিল মূলতঃ তালুকদাৰ আৰু তেওঁলোকৰ অধীনস্থ কৃষকসকলে। তালুকদাৰসকলৰ সৰহভাগেই অযোধ্যাৰ নৱাবৰ প্ৰতি একান্ত অনুগত আছিল। তেওঁলোকে বৃটিশৰ বিৰুদ্ধে যুঁজত বেগম হজৰত মহল (নৱাবৰ পত্নী)-ক সঙ্গ দিছিল আৰু আনকি পৰাজয়ৰ পাছতো তেওঁৰ সঙ্গ ত্যাগ কৰা নাছিল। কৃষকসকলৰ ক্ষেত্ৰত চিপাহীৰ আৱাসিক শাৰীবিলাকলৈকো সম্প্ৰসাৰিত হৈছিল, যিহেতু বৃহৎ সংখ্যক চিপাহীকেই অযোধ্যাৰ গাওঁবোৰৰ পৰাই মকৰল কৰা হৈছিল। দশক দশক জুৰি চিপাহীসকলে কম হাৰৰ বেতন আৰু ছুটী লাভৰ অসুবিধাৰ বিৰুদ্ধেই প্ৰধানতঃ অভিযোগ কৰি আহিছিল। 1850 ৰ দশকমানলৈ তেওঁলোকৰ অসন্তুষ্টিৰ লগত আন বহুতো কাৰণ যোগ হৈছিল।

1857 ৰ মহাবিদ্ৰোহৰ পূৰ্ববৰ্তী কেইটিমান বছৰত ভাৰতীয় চিপাহী আৰু তেওঁলোকৰ ওপৰৱালা শ্বেতাংগ বিষয়াসকলৰ মাজৰ সম্পৰ্ক উল্লেখযোগ্যভাৱে সলনি হৈছিল। 1820 ৰ দশকৰ পৰা শ্বেতাংগ বিষয়াসকলে ভাৰতীয় চিপাহীসকলৰ লগত এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি চলিবলৈ ঠিৰাং কৰিছিল। তেওঁলোকে চিপাহীসকলৰ লগত অৱসৰ বিনোদনত অংশ লৈছিল। তেওঁলোকৰ লগত মালযুঁজ খেলিছিল, অসিচালনা কৰিছিল, একেলগে শেন মেলিবলৈ গৈছিল। তেওঁলোকৰ বহুতেই সলসলীয়াকৈ হিন্দুস্তানী ভাষা ক'ব পাৰিছিল আৰু ভাৰতীয় পৰম্পৰা আৰু সংস্কৃতিৰ সৈতে ভালদৰে পৰিচিত আছিল। এই বিষয়াসকল চিপাহীসকলৰ বাবে একেধাৰে অনুশাসনকৰ্তাৰ লগতে পিতৃবৎ অভিভাৱকৰ দৰে হৈ পৰিছিল।

1840 ৰ দশকত এই সম্পৰ্ক পিছে পুনৰ সলনি হৈছিল। এই বিষয়াসকলৰ মনত একধৰণৰ উচ্চাত্মিকাৰ মনোভাৱ বিকশিত হৈছিল আৰু চিপাহীসকলক নিজতকৈ নীহকুলীয়া হিচাপে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰি তেওঁলোকৰ অনুভূতিক নিৰ্মমভাৱে আঘাত কৰিছিল। অপমানজনক ব্যৱহাৰ আৰু শাৰীৰিক অত্যাচাৰ সাধাৰণ কথাত পৰিণত হৈছিল। এইবোৰ কথাই বৃটিশ বিষয়া আৰু চিপাহীসকলৰ মাজৰ ব্যৱধান ক্ৰমাৎ বৃদ্ধি কৰিছিল। পূৰ্বৰ পাৰস্পৰিক সদ্ভাৱৰ সলনি, সন্দেহৰ সম্পৰ্কই স্থান লৈছিল। চৰ্বি সনা বাকলিৰ গুলীৰ প্ৰসঙ্গটো ইয়াৰ এক উৎকৃষ্ট উদাহৰণ আছিল।

### তালুকদাৰসকলে কি ভাবিছিল?

ৰাই বেৰেলিৰ ওচৰৰ কালাকঙ্কাৰৰ ৰাজা হনৱন্ত সিঙে তদানীন্তন তালুকদাৰসকলৰ মানসিকতা আটাইতকৈ ভালদৰে প্ৰকাশ কৰিছিল। সেনা দ্ৰোহৰ সময়ত তেওঁ এজন বৃটিশ বিষয়াক আশ্ৰয় দি, নিৰাপদ স্থানলৈ লৈ গৈছিল। বৃটিশ বিষয়াজনৰ পৰা বিদায় ল'বৰ পৰত হনৱন্ত সিঙে তেওঁক কৈছিল ঃ

> চাহাব, আপোনাৰ দেশৰ মানুহে আমাৰ দেশলৈ আহি আমাৰেই ৰাজাক খেদি পঠিয়ালে। আপোনালোকে আপোনালোকৰ বিষয়াসকলক মহলবোৰৰ মালিকীস্বত্ব পৰীক্ষা কৰিবলৈ জিলাই জিলাই প্ৰেৰণ কৰিছিল। একেটা খুন্দাতে আপোনালোকে মোৰ পৰিয়ালে মনত নপৰা দিনৰেপৰা ভোগ দখল কৰি অহা মাটিবাৰী মোৰ পৰা কাঢ়ি ল'লে। মানি ল'লো, হঠাতে আপোনালোকৰ দুৰ্দিন আহিল। দেশৰ জনতা আপোনালোকৰ বিৰুদ্ধে জাঙুৰ খাই উঠিল। তেতিয়া আপুনি মোৰ ওচৰলৈকে নিৰাপত্তা বিচাৰি আহিল, যাক আপোনালোকেই বৰবাদ কৰিছিল। মই আপোনাক ৰক্ষা কৰিলোঁ। কিন্তু এতিয়া মই মোৰ আনুগামীসকলক সন্মুখৰপৰা নেতৃত্ব দি, আপোনালোকক মোৰ দেশৰপৰা বাহিৰ কৰি দিবলৈ যাত্ৰা কৰিম।

➲ এই উদ্ধৃতি বচনে তালুকদাৰসকলৰ মনোভাৱৰ বিষয়ে তোমালোকক কি কয়? দেশৰ জনতা বোলা কথাযাৰৰদ্বাৰা হনৱন্ত সিঙে কাক বুজাইছিল? হনৱন্ত সিঙে জনতাৰ ক্ৰোধৰ কি কি কাৰণ দৰ্শাইছে?

DailyAssam.Com





আৰ্হি নং 11.7
ইউৰোপীয় শিল্পীৰ সাজ-পোছাকত বঙ্গীয় চিপাহী।

এই কথাও মনত ৰখা জৰুৰী যে চিপাহীসকল আৰু উত্তৰ ভাৰতৰ গ্ৰাম্য-জগতখনৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক আছিল। বঙ্গীয় সেনা-বাহিনীৰ এক বৃহৎ সংখ্যক চিপাহীক অযোধ্য আৰু পূৰ্বীয় উত্তৰ প্ৰদেশৰ গাওঁসমূহৰপৰাই নামভৰ্ত্তি কৰা হৈছিল। ইয়াৰ বহুসংখ্যক ব্ৰাহ্মণ বা "উচ্চ বৰ্ণ"ৰ লোক আছিল। অযোধ্যাক প্ৰকৃততে "বঙ্গীয় সেনা-বাহিনীৰ কঠিয়াতলী বোলা হৈছিল। চিপাহী পৰিয়ালৰ সদস্যসকলে তেওঁলোকৰ চাৰিওদিশে যিবোৰ পৰিৱৰ্তন দেখিবলৈ পাইছিল আৰু যিবোৰ শংকা অনুভৱ কৰিছিল, সেইবোৰ শীঘ্ৰেই চিপাহীৰ আৱাসিক শাৰীবোৰলৈ প্ৰেৰণ কৰা হৈছিল। ইয়াৰ বিপৰীতে নতুন গুলীৰ সম্পৰ্কত চিপাহীসকলৰ শংকা ছুটীৰ বিষয়ত তেওঁলোকৰ অসন্তুষ্টি, ক্ৰমবৰ্ধিত কু-ব্যৱহাৰৰ অভিযোগ, শ্বেতাংগ বিষয়াসকলৰ চিপাহীসকলৰ প্ৰতি জাত-পাতৰ ভিত্তিত ককৰ্থনা আদিৰ সংবাদ ওলোটাই তেওঁলোকৰ গাওঁবোৰলৈ পঠিওৱা হৈছিল। চিপাহী আৰু গ্ৰাম্য জগতখনৰ মাজৰ এই পাৰস্পৰিক সম্পৰ্ক মহাবিদ্ৰোহৰ কালছোৱাত বেছি নিবিড়ভাৱে সাঙোৰ খাই পৰিছিল। সেয়েহে, চিপাহীসকলে যেতিয়া তেওঁলোকৰ ওপৰৱালা বিষয়াসকলক অমান্য কৰি হাতত অস্ত্ৰ তুলি লৈছিল, তেতিয়া গ্ৰাম্যাঞ্চলৰ কৃষক-ভাইসকল শীঘ্ৰেই তেওঁলোকৰ লগ লাগিছিল। সকলোতে গাঁৱৰ কৃষকসকলে নগৰবিলাকৰ ওপৰত উবুৰি খাই পৰি, চিপাহী আৰু নগৰৰ সাধাৰণ জনতাৰ লগত লগ লাগি, সামূহিকভাৱে বিদ্ৰোহী কাম-কাজত লিপ্ত হৈছিল।

**➲ আলোচনা কৰা**

তোমাৰ নিজ ৰাজ্যৰ মানুহে 1857 ৰ বিদ্ৰোহত অংশ লৈছিল নেকি তাৰ সন্ধেদ লোৱা। যদি তেঁওলোকে অংশ লৈছিল,তেন্তে কিয় লৈছিল তাৰ কাৰণবোৰো উদ্‌ঘাটন কৰা। যদি তেওঁলোকে অংশ লোৱা নাছিল, তেন্তে তাৰ কাৰণ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰা।

### 3. বিদ্ৰোহীসকলে কি কামনা কৰিছিল ঃ

বিজয়ীস্বৰূপে বৃটিশসকলে তেওঁলোকৰ নিজস্ব যাতনা, মনস্তাপ আৰু বীৰত্বৰ বৃত্তান্ত নিজৰমতে প্ৰকাশ কৰিবলৈ সুবিধা পাইছিল। চিপাহীসকলক তেওঁলোকে এজাক অকৃতজ্ঞ আৰু অসভ্য মানুহ হিচাপে গৰিহণা দিছিল। দমনমূলক নীতিৰ দ্বাৰা চিপাহীসকলৰ মুখ বন্ধ কৰা হৈছিল। খুব কম সংখ্যক বিদ্ৰোহীয়েহে ঘটনাৱলী সম্পৰ্কে তেওঁলোকৰ বক্তব্য ৰাখিবলৈ সুবিধা পাইছিল। সৰহভাগেই চিপাহী আৰু সাধাৰণ লোক আছিল, যিসকল নিৰক্ষৰ আছিল। সেয়েহে, নেতাসকলে তেওঁলোকৰ আদৰ্শৰ প্ৰচাৰ আৰু মানুহক বিদ্ৰোহত যোগদান কৰিবৰ বাবে আহ্বান জনাবলৈ জাৰি কৰা দুই-এখন ঘোষণাপত্ৰ বা ইস্তাহাৰ (জাননী)ৰ বাহিৰে চিপাহীসকলৰ দৃষ্টিভঙ্গী দাঙি ধৰিব পৰা বৰ বেছি দৰকাৰী সমল আমি লাভ কৰিব নোৱাৰোঁ। 1857 ত দৰাচলতে কি ঘটিছিল তাৰ পুনৰুদ্ধাৰৰ যিকোনো প্ৰচেষ্টা সেয়েহে নিশ্চিতৰূপে বৃটিশ লিখনীৰ ওপৰতেই নিৰ্ভৰ কৰিব লগা হয়। এই সমলবোৰে বৃটিশ বিষয়াবৰ্গৰ মনৰ ভাৱ প্ৰকাশ কৰে, তাৰ তুলনাত বিদ্ৰোহীসকলৰ মনৰ বতৰা খুব কমেইহে দিয়ে।

DailyAssam.Com



### 3.1 : একতাৰ দৃষ্টিভঙ্গী ঃ

1857 ৰ বিদ্ৰোহীসকলৰ ঘোষণাপত্ৰবোৰ বাবস্থাৰ জাতি-ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ জনসাধাৰণলৈ আহ্বান জনাইছিল। এইবিলাকৰ বেছিভাগেই মুছলমান ৰাজকুমাৰসকলৰ দ্বাৰা বা তেওঁলোকৰ নামত জাৰি কৰা হৈছিল যদিও সেইবিলাকত হিন্দুসকলৰ অনুভূতিকো স্থান দিয়া হৈছিল। মহাবিদ্ৰোহক এনে এক সমৰ বুলি গণ্য কৰা হৈছিল, য'ত হিন্দু-মুছলমান দুয়োটা সম্প্ৰদায়ৰে লাভ-লোকচান সমানে জড়িত আছিল বুলি বিশ্বাস কৰা হৈছিল। ইস্তাহাৰবোৰত বৃটিশ শাসনৰ পূৰ্ববৰ্তী হিন্দু-মুছলমান যুগৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা গৈছিল আৰু মোগল সাম্ৰাজ্যৰ অধীনৰ বিভিন্ন সম্প্ৰদায়ৰ প্ৰীতিজনক সহাৱস্থানক বন্দনা কৰা হৈছিল। বাহাদুৰ শ্বাহৰ নামত জাৰি কৰা ঘোষণাপত্ৰখনে মহম্মদ আৰু মহাবীৰৰ দুয়োখন নিচানৰ অধীনত সন্মুখ সমৰত দলে-বলে যোগদান কৰিবলৈ সকলো স্তৰৰ জনতাক আহ্বান জনাইছিল। বৃটিশ আশাশুধীয়া চেষ্টাৰ পাছতো মহাবিদ্ৰোহৰ কালছোৱাত হিন্দু-মুছলমান দুয়ো সম্প্ৰদায়ৰ মাজত বিভাজনৰ কোনো লক্ষণ দেখা নোপোৱাটো আছিল এটা তাৎপৰ্যপূৰ্ণ দিশ। 1857 খৃষ্টাব্দৰ ডিচেম্বৰ মাহত উত্তৰ প্ৰদেশৰ বেৰেলিৰ হিন্দু জনসাধাৰণক স্থানীয় মুছলমানসকলৰ বিৰুদ্ধে উচটাবলৈ বৃটিশসকলে 50,000 টকা ব্যয় কৰিছিল, কিন্তু তেওঁলোকৰ এনে ব্যয়বহুল প্ৰচেষ্টায়ো একো ফল দিয়া নাছিল।

**সমল-৫**

**আজমগড় ঘোষণাপত্ৰ 25 আগষ্ট, 1857**

বিদ্ৰোহীসকলে প্ৰকৃততে কি বিচাৰিছিল তাক জানিবলৈ আমি লাভ কৰা সমলবোৰৰ ভিতৰত ই আছিল অন্যতম।

এইটো সকলোৱে ভালদৰে জানে যে বৰ্তমানৰ এই যুগটোত নাস্তিক আৰু বিশ্বাসঘাতক ইংৰাজবোৰৰ জোৰ-জুলুম আৰু অত্যাচাৰত হিন্দুস্তানৰ হিন্দু-মুছলমান দুয়ো সম্প্ৰদায়ৰ জনতাই উত্তপ্ত হ'বলৈ লাগিছে। সেয়েহে ভাৰতবৰ্ষৰ সকলো সম্পদশালী ব্যক্তি, বিশেষকৈ যিসকলৰ মুছলমান ৰাজপৰিয়ালবোৰৰ সৈতে যিকোনো প্ৰকাৰৰ সম্পৰ্ক আছে আৰু যিসকলক তেওঁলোকৰ প্ৰজাই ত্ৰাণকৰ্ত্তা প্ৰভূ বুলি জ্ঞান কৰে, ৰাজহুৱা কল্যাণৰ হকে তেওঁলোকে নিজৰ জীৱন আৰু সম্পত্তিৰ বাজি মৰাটো এক অৱশ্যপালনীয় কৰ্ত্তব্য ... ... ...

নিজ ধৰ্মৰ ৰক্ষণাবেক্ষণৰ বাবে দীৰ্ঘদিন ধৰি ঘৰ-বাৰী এৰা আৰু ভাৰতবৰ্ষত বৃটিশসকলৰ শিপা উঘালিবৰ কাৰণে আহোপুৰুষাৰ্থ কৰি থকা বহুসংখ্যক হিন্দু আৰু মুছলমান বৰমুৰীয়া শৰণাপন্ন হৈছেহি আৰু বৰ্তমানৰ ভাৰতীয় ধৰ্মযুদ্ধত অংশ লৈছেহি আৰু খুব সম্ভৱ অতি সোনকালেই মই পশ্চিমীয়া সাহায্যও লাভ কৰিমহঁক। সেয়েহে, জনসাধাৰণৰ জ্ঞাতাৰ্থে কেইবাদফা বিশিষ্ট এই ইস্তাহাৰখন প্ৰচাৰ কৰা হ'ল আৰু ইয়াক গুৰুত্বসহকাৰে বিবেচনা কৰি পালন কৰাটো সকলোৰে এক অলঙ্ঘনীয় কৰ্তব্য। হাতত ফুটাকড়ি এটাও নথকা কোনোবাই যদি এই উমৈহতীয়া স্বাৰ্থৰ হকে কাম কৰিবলৈ ব্যগ্ৰ, তেনেসকলে মোৰপৰা দৈনিক খোৰাক লাভ কৰিব; আৰু এটা কথা সকলোৱে জানিব লাগে যে হিন্দু-মুছলমান উভয়ৰে প্ৰাচীন গ্ৰন্থসমূহে, তন্ত্ৰবিদ্যাৰ লিখনীবোৰে আৰু পণ্ডিত, জ্যোতিষীসকলৰ গণনা ... এই সকলোবোৰেই দৃঢ়ভাৱে একমত যে ভাৰতবৰ্ষ নাইবা অন্যতো ইংৰাজবোৰৰ খোপনি নাইকীয়া হ'বলৈ আৰু বেছিদিন নাই। সেয়েহে, বৃটিশৰ ৰাজত্ব বৰ্তি থকাৰ আশা ত্যাগ কৰি, মোৰ পক্ষ লোৱাটো সকলোৰে অৱশ্যকৰ্তব্য আৰু নিজৰ ব্যাক্তিগত পুৰুষাৰ্থৰ বলত উমৈহতীয়া স্বাৰ্থৰ হকে কাম কৰি, বাদশ্বাহী বা সম্ৰাট (মোগল)ৰ চৰকাৰৰ স্বীকৃতিৰ লায়ক হোৱাৰ লগতে নিজ নিজ সজ উদ্দেশ্য পূৰণ কৰক; নহ'লে এই সোণালী সুযোগ হাতৰপৰা ওলাই যাব আৰু সকলোৱেই এই ভুলৰ বাবে চিৰকাল অনুতপ্ত হ'ব লাগিব .. ... ...

DailyAssam.Com


**দফা 1 -জমিদাৰসকল প্ৰতি ঃ** এই কথা স্পষ্ট যে বৃটিশ চৰকাৰে জমিদাৰী বন্দবস্তি কৰোঁতে আকাশলংঘী জুমা (ৰাজহ দাবী) আৰোপ কৰিছে আৰু বহুসংখ্যক জমিদাৰক বকেয়া ভাটকৰ বাবে তেওঁলোকৰ মহলাবোৰৰ ৰাজহুৱা নিলামৰ জৰিয়তে উপান্ত কৰিছে, আৰু আনকি একোজন সাধাৰণ ৰায়ত নাইবা দাস-দাসীৰ গোচৰতেই মাননীয় জমিদাৰসকলক আদালতলৈ দমন কৰি আনি, আটক কৰি কাৰাবাস দিয়া হয় আৰু এনেদৰেই তেওঁলোকক চূড়ান্তভাৱে অপদস্থ কৰা হয় জমিদাৰী সম্পৰ্কীয় গোচৰত আকাশলংঘী মুদ্ৰাংক মূল্য আৰু দেৱানী আদালতৰ অন্যান্য অনাৱশ্যক খা-খৰচ... এই সকলোবোৰ গোচৰীয়াক কঙাল কৰাৰ উদ্দেশ্যেই নিৰ্ণয় কৰা হৈছে। তাৰোপৰি বিদ্যালয়, চিকিৎসালয়, ৰাস্তা-ঘাট নিৰ্মাণ ইত্যাদিৰ বাবে দান-বৰঙণিক অজুহাতত চৰকাৰে জমিদাৰসকলৰ চন্দুকৰ ওপৰত বছৰি বিভিন্ন কৰ-কাটল জাপি দিয়ে। বাদশ্বাহী চৰকাৰৰ দিনত এনে জোৰ-জুলুমৰ কোনো অস্তিত্বই নাথাকিব; ইয়াৰ বিপৰীতে জুমা লাঘৱ কৰা হ'ব, জমিদাৰসকলৰ মান-মৰ্যাদা নিৰাপদ হ'ব আৰু সকলো জমিদাৰে নিজৰ নিজৰ জমিদাৰীত একচ্ছত্ৰী শাসনৰ সুবিধা লাভ কৰিব ...

**দফা 2 - বনিকসকলৰ প্ৰতি ঃ** এইটো খোলা কথা যে বৃটিশ চৰকাৰে নীল, বস্ত্ৰ আৰু অন্যান্য নৌবহন বস্তুকে ধৰি সকলো ধৰণৰ উত্তম আৰু মূল্যৱান পণ্যদ্ৰব্যৰ ব্যৱসায়ৰ ওপৰত নিজৰ একচেটিয়া অধিকাৰ প্ৰতিষ্ঠা কৰি, ভাৰতীয় লোকৰ বাবে লাপিলপা বস্তুবোৰৰ বেপাৰহে এৰি দিছে... ইয়াৰ বাহিৰেও বণিকসকলৰ লাভ্যাংশৰ ওপৰতো ডাক-মাছুল, পাৰণি কৰ আৰু বিদ্যালয়লৈ দান-বৰঙণি আদিৰ ৰূপত কৰ আৰোপ কৰা হয়। এইবিলাকৰ বাদেও একোটা ফাল্টু মানুহৰ একোটা আবেদন বা অভিযোগৰ ভিত্তিত বণিকসকলক কাৰাবন্দী আৰু অপদস্থ হ'ব পাৰে। বাদশ্বাহী চৰকাৰ প্ৰতিষ্ঠিত হ'লে পূৰ্বোক্ত সকলোধৰণৰ প্ৰবঞ্চনামূলক কাৰবাৰবোৰ ৰদ কৰা হ'ব, আৰু জলপথ, স্থলপথ নিৰ্বিশেষে প্ৰতিটো পণ্যদ্ৰব্যৰ ব্যৱসায় ভাৰতীয় থলুৱা বণিকৰ বৱে মুকলি কৰা হ'ব ... সেয়েহে, এই মহাৰণত যোগ দিয়াটো আৰু বাদশ্বাহী চৰকাৰক নিজৰ ধন-জন দি সহায় কৰাটো প্ৰতিজন ভাৰতীয় বণিকৰে অৱশ্যপালনীয় কৰ্তব্য ... ... ...

**দফা 3 - ৰাজসেৱকসকলৰ প্ৰতি ঃ** এইটো কোনো গুপুত কথা নহয় যে বৃটিশ চৰকাৰৰ অধীনস্থ অসামৰিক আৰু সামৰিক সেৱাত কৰ্মৰত থলুৱা লোকসকলৰ সন্মান আৰু বেতন অতি সামান্য আৰু একেবাৰেই প্ৰভাৱহীন; আৰু দুয়োটা বিভাগৰে উচ্চ সন্মান আৰু বেতনৰ পদবোৰ একচেটিয়াভাৱে ইংৰাজসকলকে সঁপি দিয়া হৈছিল ... ... ... গতিকে বৃটিশৰ সেৱাত কৰ্মৰত থলুৱা লোকসকলে বৃটিশৰ প্ৰতি আনুগত্য ত্যাগ কৰি নিজৰ ধৰ্ম আৰু স্বাৰ্থৰ কৰে থিয় দিয়া উচিত আৰু বাদশ্বাহী চৰকাৰৰ পক্ষ লৈ সদ্যহতে মাহেকত 200 আৰু 300 টকাৰ বেতন গ্ৰহণ কৰি ভৱিষ্যতে উচ্চ পদবীবোৰৰ বাবে যোগ্য হৈ উঠিব লাগে ... ... ...

**দফা 4 - কাৰুশিল্পীসকলৰ প্ৰতি ঃ** এয়া অতি স্পষ্ট যে যুৰোপীয়সকলে ভাৰতবৰ্ষত ইংৰাজী পণ্যদ্ৰব্যৰ প্ৰচলন ঘটাই তাঁতী, কপাহী সাজ প্ৰস্তুতকৰ্তা, বাঢ়ৈ আৰু মুচীয়াৰ সকলোকে সংস্থাপনহীন কৰি পেলালে আৰু তেওঁলোকৰ জীৱিকাবোৰ এনেদৰে গ্ৰাস কৰি পেলালে যে সকলো শ্ৰেণীৰ থলুৱা কাৰুশিল্পীকে ভিক্ষাৰীলৈ পৰ্যবসিত কৰিলে। কিন্তু বাদশ্বাহী চৰকাৰৰ অধীনত থলুৱা কাৰুশিল্পীসকলক একচেটিয়াভাৱে ৰজা, ৰাজা আৰু বিত্তশালীসকলৰ সেৱাত নিয়োগ কৰা হ'ব আৰু ই নিঃসন্দেহে তেওঁলোকৰ সমৃদ্ধি নিশ্চিত কৰিব। সেয়েহে, এই কাৰুশিল্পীসকলে ইংৰাজৰ সেৱা পৰিত্যাগ কৰা উচিত ...

দফা 5- পণ্ডিত, ফকীৰ আৰু অন্যান্য বিজ্ঞসকলৰ প্ৰতি ঃ যিহেতু পণ্ডিত আৰু ফকীৰসকল একাদিক্ৰমে হিন্দু আৰু ইছলাম দুয়োটা ধৰ্মৰে অভিভাৱকস্বৰূপ আৰু যুৰোপীয়সকল এই দুয়োটা ধৰ্মৰে যিহেতু শত্ৰু আৰু যিহেতু বৰ্তমান ইংৰাজসকলৰ বিৰুদ্ধে ধৰ্মৰ বাবেই এখন ভয়ঙ্কৰ ৰণ চলি আছে, সেয়েহে পণ্ডিত আৰু ফকীৰসকল অনিবাৰ্যভাৱে মোৰ সন্মুখত উপস্থিত হ'ব লাগে আৰু এই পবিত্ৰ ৰণত তেওঁলোকৰ ভূমিকা পালন কৰিব ... ... ...

➲ ঘোষণাপত্ৰখনত বৃটিশ শাসনৰ বিৰুদ্ধে কি কি বিষয়ৰ ওপৰত আলোকপাত কৰিছে? প্ৰতিটো সামাজিক গোটৰ ওপৰত থকা দফাবোৰ যত্নসহকাৰে পঢ়ি চোৱা। ঘোষণাপত্ৰখন প্ৰস্তুত কৰোঁতে ব্যৱহাৰ কৰা ভাৱ-ভাষালৈ মন কৰা আৰু কি কি ধৰণৰ আবেগ-অনুভূতিৰ প্ৰতি ই আহ্বান জনাইছে চোৱা।

DailyAssam.Com



**3.2 : শোষণৰ প্ৰতীকবোৰৰ বিৰুদ্ধে ঃ**

শপতনামাকেইখনে বৃটিশ শাসন বা যাক ইহঁতে 'ফিৰিঙ্গী ৰাজ' বুলি কৈছিল, তাৰ লগত যুক্ত থকা সকলো বিষয়বস্তুকে নসাৎ কৰিছিল। বৃটিশসকলে সম্পন্ন কৰা ৰাজ্য চামিলকৰণবোৰ আৰু ভঙ্গ কৰা সন্ধিবোৰৰ কাৰণে এইবোৰে বৃটিশসকলক গৰিহণা দিছিল। বিদ্ৰোহী নেতাসকলে কৈছিল, বৃটিশক কদাপি বিশ্বাসত ল'ব নোৱাৰি।

বৃটিশৰ ৰাজহ বন্দবস্তিবোৰে যেনেকৈ সৰু-ডাঙৰ ভূ-স্বামীসকলক স্থানচ্যুত কৰিছিল আৰু বৈদেশিক বাণিজ্যই যেনেকৈ কাৰিকৰ আৰু তাঁতীসকল ধ্বংসৰ মুখলৈ ঠেলি দিছিল, সেইবোৰৰ কাৰণেই জনসাধাৰণ বৃটিশৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছিল। বৃটিশ শাসনৰ প্ৰতিটো ৰেহ-ৰূপেই আক্ৰমণৰ লক্ষ্য হৈ পৰিছিল। সুদীৰ্ঘ দিন ধৰি পৰিচিত আৰু লালিত-পালিত এক নিজস্ব জীৱন-শৈলীৰ পতনৰ বাবে ফিৰিঙ্গীসকলকেই জগৰীয়া কৰা হৈছিল। বিদ্ৰোহীসকলে সেই পুৰণিকলীয়া কিন্তু নিজস্ব জগতখনকেই পুনঃপ্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল।

বৃটিশসকলে হিন্দু আৰু মুছলমানসকলক জাতি-ধৰ্ম নাশ কৰি, সকলোকে খ্ৰীষ্টিয়ান ধৰ্মলৈ ধৰ্মান্তৰিত কৰিবলৈ উঠি-পৰি লগা বুলি ভাৰতীয়সকলৰ মনত এক সৰ্বগ্ৰাসী আতংকৰ ভাৱ সৃষ্টি হৈছিল। ঘোষণা পত্ৰবিলাকেও এই ভীতিগ্ৰস্ততাকেই প্ৰকাশ কৰিছিল। আকৌ এই ভীতিয়েই জনতাক সেই সময়ত প্ৰচাৰিত বিভিন্ন উৰা-বাতৰিবোৰক বিশ্বাস কৰিবলৈ প্ৰভাৱিত কৰিছিল। এনে পৰিপ্ৰেক্ষিতত, একগোট হৈ আগবাঢ়ি আহি নিজৰ জীৱিকা, ধৰ্ম, মৰ্যাদা আৰু পৰিচয়ক ৰক্ষা কৰিবৰ বাবে যুঁজ দিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছিল। এই যুদ্ধক "বৃহত্তৰ ৰাজহুৱা মঙ্গল"ৰ বাবে এক যুদ্ধ বুলি বিবেচনা কৰা হৈছিল।

তোমালোকে ইয়াৰ আগতে নিশ্চয় লক্ষ্য কৰিছা যে বহুতো ঠাইত বৃটিশৰ সহযোগী বুলি ধাৰণা কৰা বা স্থানীয় শোষণকাৰীসকললৈকো বিদ্ৰোহীসকলৰ আক্ৰমণ সম্প্ৰসাৰিত হৈছিল। বিদ্ৰোহীসকলে ইচ্ছাকৃতভাৱে প্ৰায়ে নগৰীয়া সম্ভ্ৰান্ত সকলৰ দৰ্পচুৰ্ণ কৰিবলৈ বিচাৰিছিল। গাওঁবিলাকত তেওঁলোকে হিচাপৰ খাতা-বহীবোৰ জ্বলাই দিছিল আৰু যোতদাৰসকলৰ ঘৰত লুটপাত চলাইছিল। এনে কাৰ্যই পৰম্পৰাগত সামাজিক স্তৰ-বিভাজনক নাইকীয়া কৰাৰ এক প্ৰয়াস আৰু সকলো শোষণকাৰীৰ বিৰুদ্ধে বিদ্ৰোহক প্ৰতিফলিত কৰিছিল। তদুপৰি, ই কিজানি তুলনামূলকভাৱে অধিক সাম্যবাদী এখন সমাজৰ ৰূপত,এক বিকল্প দৃষ্টিকোণৰ জিলিঙণি দেখুৱাইছিল। ফিৰিঙ্গী ৰাজৰ বিৰুদ্ধে যুঁজিবলৈ সকলো সামাজিক গোটকে ঐক্যবদ্ধ কৰিবলৈ বিচৰা ঘোষণাপত্ৰবিলাকত কিন্তু এনে দৃষ্টিভঙ্গী সন্নিবিষ্ট কৰা দেখা নগৈছিল।

DailyAssam.Com



### 3.3 বিকল্প শক্তিৰ সন্ধান ঃ

বৃটিশৰ শাসন উফৰি পৰাত দিল্লী, লক্ষ্ণৌ আৰু কানপুৰ আদিৰ দৰে ঠাইবোৰত কৰ্তৃত্ব আৰু প্ৰশাসনৰ একধৰণৰ গাঁথনি নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছিল। ক্ষণস্থায়ী হ'লেও এনেধৰণৰ প্ৰচেষ্টাবোৰে ইয়াকে দেখুৱাইছিল যে বিদ্ৰোহী নেতৃত্বই অষ্টাদশ শতিকাৰ প্ৰাক্-বৃটিশ জগতখনকেই পুনঃপ্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। তেওঁলোকে যথাৰ্থতে পূৰ্বৰ দৰকাৰী সংস্কৃতিলৈকে ঘূৰি যাবলৈ বিচাৰিছিল। সেই অনুযায়ী বিভিন্ন পদবীত নিযুক্তি দিয়া হৈছিল, ভূমি-ৰাজহ সংগ্ৰহ আৰু সৈন্য বাহিনীৰ বেতন দিয়াৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছিল আৰু লুটপাত বন্ধ কৰিবলৈ নিষেধাজ্ঞা জাৰি কৰা হৈছিল। সমান্তৰালভাৱে, বৃটিশৰ বিৰুদ্ধে যুদ্ধ চলাই নিবৰ বাবেও আঁচনি প্ৰস্তুত কৰা হৈছিল। সৈন্য-বাহিনীত হুকুম-শৃংখলা প্ৰতিষ্ঠা কৰা হৈছিল। এই সকলোবোৰ কৰোঁতে বিদ্ৰোহীসকলে অষ্টাদশ শতিকাৰ জগতখনলৈকে বাৰে বাৰে উলটি চাইছিল। যিখন জগত যেন সৰ্বস্ব হেৰুওৱাৰ এক প্ৰতীকলৈ ৰূপান্তৰিত হৈছিল।

বিদ্ৰোহীসকলে গঢ়ি তোলা প্ৰশাসনিক গাঁথনিবোৰ প্ৰাথমিকভাৱে যুদ্ধকালীন চাহিদাবোৰ পূৰণ কৰিবৰ বাবেহে আছিল। তথাপি, সৰহভাগ ক্ষেত্ৰতেই এইবোৰ পিছলৈ বৃটিশৰ আক্ৰোশৰ সন্মুখত টিকি থাকিব নোৱাৰিছিল। কিন্তু অযোধ্যাত, য'ত বৃটিশ বিৰোধী প্ৰতিৰোধ সংগ্ৰাম আটাইতকৈ দীৰ্ঘতম আছিল, প্ৰতি-আক্ৰমণৰ আঁচনি ৰচনা কৰা লক্ষ্ণৌৰ দৰবাৰ আৰু হুকুম-শৃংখল। 1857 খৃষ্টাব্দৰ প্ৰথমছোৱা পৰ্যন্ত বৰ্তি আছিল।

➲ আলোচনা কৰা......

বিদ্ৰোহীসকলৰ দৃষ্টিকোণ পুৰ্ননিৰ্মাণ কৰাৰ ক্ষেত্ৰত ইতিহাসবিদসকলে সন্মুখীন হোৱা মুখ্য সমস্যাবোৰ কি কি বুলি তুমি ভাবা?

### 4. অৱদমন ঃ

বিভিন্ন তথ্য-পাতিৰপৰা এই কথা স্পষ্ট হয় যে বৃটিশসকলে এই বিদ্ৰোহ বৰ সহজতে দমন কৰিব পৰা নাছিল।

উত্তৰ ভাৰত পুনৰ জয় কৰাৰ বাবে সৈন্য পঠিওৱাৰ পূৰ্বে বৃটিশে বিদ্ৰোহ দমনৰ সহায়ক এলানি নতুন শৃংখলা জাৰি কৰি লৈছিল। 1857 খৃষ্টাব্দৰ মে' আৰু জুন মাহত বলবৎ কৰা এনে কেইবাখনো আইনৰ জৰিয়তে সমগ্ৰ উত্তৰ ভাৰতক পল্টনীয়া আইনৰ অধীনলৈ অনাতেই বৃটিশসকলক ক্ষান্ত হোৱা নাছিল, বৰঞ্চ সামৰিক বিষয়া আৰু আনকি সাধাৰণ বৃটিশ ব্যক্তিলৈকো বিদ্ৰোহী কাৰ্য-কলাপৰ সন্দেহত যিকোনো ভাৰতীয় লোকক বিচাৰ কৰি, শাস্তি দিব পৰা ক্ষমতা প্ৰদান কৰিছিল। অৰ্থাৎ, অন্য কথাত ক'বলৈ গ'লে, আইন আৰু বিচাৰকাৰ্যৰ সাধাৰণ প্ৰক্ৰিয়াসমূহ স্থগিত কৰা হৈছিল আৰু এই

DailyAssam.Com



কথা জাহিৰ কৰা হৈছিল যে বিদ্ৰোহৰ শাস্তি এটাই আছিল — মৃত্যু।

এনেদৰেই, নতুনকৈ বলবৎ কৰা বিশেষ আইনবোৰৰ দ্বাৰা সু-সজ্জিত হৈ আৰু বৃটেইনৰ পৰা অনা অতিৰিক্ত সৈন্যদলৰ বলেৰে বলীয়ান হৈ বৃটিশসকল বিদ্ৰোহ দমনকাৰ্যত জঁপিয়াই পৰিছিল। বিদ্ৰোহীসকলৰ দৰেই তেওঁলোকেও দিল্লীৰ প্ৰতীকি মূল্যক স্বীকৃতি দিছিল সেয়েহে, তেওঁলোকে সমান্তৰালভাৱে দ্বৈত-আক্ৰমণৰ আঁচনি যুগুতাইছিল। বিদ্ৰোহ দমনকাৰী এটা বাহিনীয়ে উত্তৰ ভাৰতত সোমাই পৰিছিল। অন্য বাহিনীটোৱে পাঞ্জাবৰ দিশৰপৰা দিল্লী পুনৰুদ্ধাৰৰ উদ্দেশ্যে আগবাঢ়িছিল, যিটো কাহিনী মূলতঃ এটা শান্তিকামী বাহিনী আছিল। 1857 খৃষ্টাব্দৰ জুন মাহৰ প্ৰথম ভাগত বৃটিশে পৰম ব্যগ্ৰতাৰে দিল্লী উদ্ধাৰৰ চেষ্টা আৰম্ভ কৰে যদিও, চেপ্তেম্বৰ মাজৰ শেষৰফাললৈহে তেওঁলোকে চহৰখন দখল কৰিবলৈ সক্ষম হৈছিল। তয়াময়া যুঁজত দুয়োপক্ষৰে বিস্তৰ ক্ষয়-ক্ষতি হৈছিল। ইয়াৰ অন্যতম কাৰণ আছিল যে ৰাজধানী চহৰখনক সুৰক্ষা দিবলৈ সমগ্ৰ উত্তৰ ভাৰতৰপৰাই বিদ্ৰোহীসকল আগুৱাই আহিছিল।

**সমল-৫**

**বিদ্ৰোহীৰূপে গঞা-ৰাইজ**

অযোধ্যা (তলৰ টোকাত 'ঔডে' বুলি আখৰ জোঁটোৱা হৈছে)ৰ গ্ৰাম্যাঞ্চলৰ পৰা এজন বিষয়াই তেওঁৰ প্ৰতিবেদনত লিখিছিল ঃ

ঔডেৰ জনতাই উত্তৰৰ পৰা অহা যোগাযোগ ৰেখাৰ ওপৰত ক্ৰমান্বয়ে হেঁচা দি আহিবলৈ ধৰিছে ... ঔডেৰ এইসকল লোক গাওঁবাসী...। এই গঞা ৰাইজে য়ুৰোপীয়সকলৰ বাবে প্ৰায় সাঁথৰস্বৰূপ হৈ পৰিছে। চকুৰ পচাৰতে ফৰিং ছিটিকা দি, পিছত তেওঁলোক পুনৰ একগোট হয়গৈ। অসামৰিক কৰ্তৃপক্ষই জনায় যে যথেষ্ট সংখ্যক বন্দুকেৰে সৈতে এই গঞা ৰাইজ অতি বিশাল সংখ্যাৰ।

➲ এই প্ৰতিবেদনখনৰ মতে গঞা ৰাইজক চম্ভালিবলৈ যাওঁতে বৃটিশসকলে কোনবিলাক সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল?




মানচিত্ৰ - 2 এই মানচিত্ৰখনত বিদ্ৰোহৰ গুৰুত্বপূৰ্ণ ঘাটিবোৰৰ লগতে বিদ্ৰোহীসকলৰ বিৰুদ্ধে বৃটিশ আক্ৰমণৰ দিশবোৰ দেখুওৱা হৈছে।

DailyAssam.Com



গঙ্গাৰ সমভূমি অঞ্চলতো বৃটিশৰ পুনৰুদ্ধাৰ অভিযান অতি লেহেমীয়া গতিত চলিছিল। এখনৰ পিছত এখনকৈ গাওঁ দখল কৰি, বৃটিশ বাহিনীটোৱে অঞ্চলটো পুনৰুদ্ধাৰৰ চেষ্টা কৰিবলগীয়া হৈছিল। এই গ্ৰাম্যাঞ্চলবোৰ আৰু ওচৰ-পাজৰৰ জনসাধাৰণে বৃটিশৰ বিৰুদ্ধে সম্পূৰ্ণ শত্ৰুতামূলক আচৰণ কৰিছিল। প্ৰতি বিদ্ৰোহী অভিযান আৰম্ভ কৰাৰ লগে লগে বৃটিশসকলে উপলব্ধি কৰিছিল যে তেওঁলোকে কেৱল এক সামান্য সেনাবিদ্ৰোহৰ নহয়, বৰং বিপুল গণ-সমৰ্থন থকা এক গণ-অভ্যুত্থানৰহে মুখামুখি হ'বলগীয়া হৈছিল। উদাহৰণস্বৰূপে, ফাৰ্চাইথ্ নামৰ বৃটিশ বিষয় এজনে অনুমান কৰিছিল যে অযোধ্যাৰ সৰ্বমুঠ বয়স্ক পুৰুষৰ তিনি চতুৰ্থাংশই বিদ্ৰোহী কাম-কাজত জড়িত আছিল। নেৱানেপেৰা যুদ্ধৰ পাছত 1858 খৃষ্টাব্দৰ মাৰ্চ মাহতহে বৃটিশসকলে অঞ্চলটো নিজৰ নিয়ন্ত্ৰণৰ অধীনলৈ আনিবলৈ সক্ষম হৈছিল।



আৰ্হি নং 11.8
'দিল্লী চূড়া'ৰ ওপৰত অৱস্থিত এটা মছজিদ, আলোকচিত্ৰ, ফেলিচ্ বীট', 1857-58–1857 খৃষ্টাব্দৰ পাছত বৃটিশ আলোকচিত্ৰ গ্ৰহণকাৰীসকলে ধ্বংস আৰু পতনৰ এনে অসংখ্য আলোকচিত্ৰ সংগ্ৰহ কৰিছিল।

বৃটিশসকলে অতি বৃহৎ মাত্ৰাত সামৰিক শক্তিৰ প্ৰয়োগ কৰিছিল, কিন্তু বিদ্ৰোহ দমনৰ বাবে ব্যৱহাৰ কৰা ইয়েই একমাত্ৰ হাতিয়াৰ আছিল। বিয়াগোম ভূ-স্বামী আৰু কৃষকসকলে একত্ৰিতভাৱে প্ৰতিৰোধ আগবঢ়োৱা বৰ্তমানৰ উত্তৰ প্ৰদেশৰ এক বৃহত্তৰ অঞ্চলত, ভূ-স্বামীসকলক পূৰ্বৰ মহলবোৰ ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতিৰে বৃটিশে বিৰোধী পক্ষৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ চেষ্টা চলাইছিল। সেই উদ্দেশ্যে বিদ্ৰোহী ভূ-স্বামীসকলক দখলচ্যুত কৰি, অনুগতসকল পুৰস্কৃত কৰা হৈছিল। অৱশ্যে বহুতো ভূ-স্বামীয়ে হয় বৃটিশৰ লগত যুদ্ধ কৰি প্ৰাণত্যাগ কৰিছিল, নহয় নেপাললৈ পলাই গৈছিল, য'ত বেমাৰ হৈ নাইবা খাদ্যাভাৱত পৰি তেওঁলোকৰ মৃত্যু হৈছিল।



আৰ্হি নং 11.9 "চেকেন্দ্ৰা বাগ", ফেলিচ্ বীটৰ আলোকচিত্ৰ, 1858 এসময়ত নবাব ৱাজিদ আলি শ্বাহে নিৰ্মাণ কৰা আনন্দ বাগানৰ এটা পৰিত্যক্ত আৰু নিমাওমাও চৌহদত আমি দেখিবলৈ পাইছোঁ চাৰিটা নীৰৱ অৱয়ৱ। এই চৌহদত ঘাটি পতা 2000 তকৈও অধিক সংখ্যক বিদ্ৰোহী চিপাহীক কেম্প্‌বেলৰ নেতৃত্বাধীন বৃটিশ বাহিনীয়ে নিধন কৰিছিল। মজিয়াত সিঁচৰিত হৈ পৰি থকা নৰকংকালৰ অৱশিষ্টবোৰ যেন বিদ্ৰোহৰ অৰ্থহীনতাৰ এক শীতল সতৰ্কবাণী।

## 5. বিদ্ৰোহৰ বিভিন্ন ভাৱমূৰ্তি ঃ

আমি এতিয়ালৈকে আলোচনা কৰি থকা বিদ্ৰোহটোৰ বিষয়ে, বিদ্ৰোহীসকলৰ কাৰ্য-কলাপ আৰু বৃটিশৰ দমনমূলক ব্যৱস্থাসমূহৰ বিষয়ে আমি কেনেকৈ জানিব পাৰোঁ?

আমি ইতিমধ্যে দেখিবলৈ পোৱাৰ দৰে, বিদ্ৰোহীসকলৰ নিজৰ ভাৱমূৰ্তি সম্পৰ্কে অতি সীমিত তথ্যহে লাভ কৰিবলৈ সক্ষম হৈছো। ইয়াৰ ভিতৰত আছে বিদ্ৰোহীসকলৰ কেইখনমান ঘোষণাপত্ৰ, জাননী আৰু বিদ্ৰোহী নেতৃত্বৰ দ্বাৰা লিখিত কিছুসংখ্যক চিঠি পত্ৰ। ইতিহাসবিদসকলে কিন্তু বিদ্ৰোহীসকলৰ কাৰ্য-কলাপ সম্পৰ্কে এতিয়ালৈকে মূলতঃ বৃটিশসকলৰ দ্বাৰা লিখিত টোকাবোৰৰ ভিত্তিতেই আলোচনা কৰি আহিছে।

এই সম্পৰ্কে চৰকাৰী টোকা অৱশ্যে উভৈনদী। ঔপনিবেশিক প্ৰশাসক আৰু সামৰিক লোকসকলে বিদ্ৰোহ সন্দৰ্ভত তেওঁলোকৰ ভাৱমূৰ্তি বিভিন্ন চিঠি-পত্ৰ আৰু দিনলিপি, আত্মজীৱনী আৰু চৰকাৰী ইতিহাস আদিৰ জৰিয়তে এৰি থৈ গৈছে। অসংখ্য স্মৃতিকথা আৰু টোকা, পৰিস্থিতিক মূল্যাংকণ আৰু প্ৰতিৱেদন আদিৰ জৰিয়তেও আমি চৰকাৰী ভাৱ-ভঙ্গী আৰু পৰিৱৰ্তিত বৃটিশ মানসিকতাত জুখি চাব পাৰো। বিদ্ৰোহৰ অভিলেখ সম্পৰ্কে, বৰ্তমান এইবোৰৰ বহুতকে সংগ্ৰহ কৰি কেইবাখণ্ডৰ একোটা শৃংখলাত সন্নিবিষ্ট কৰাৰ ব্যৱস্থা কাৰ হৈছে। এইবিলাকে আমাক বৃটিশ বিষয়াবৰ্গৰ আশংকা আৰু উৎকণ্ঠাৰ লগতে বিদ্ৰোহীসকলৰ বিষয়ে তেওঁলোকৰ জ্ঞান কি ধৰণৰ আছিল, তাক জানিবলৈ দিয়ে। বৃটিশ বাতৰি কাকত আৰু আলোচনীবোৰত বিদ্ৰোহৰ কাহিনীবিলাকত বিদ্ৰোহী চিপাহীসকলৰ ৰক্তলোলুপতা আৰু দৌৰাত্মৰ বৰ্ণনা দিয়া হৈছিল -আৰু এইবিলাক কাহিনীয়ে ইংলণ্ডৰ ৰাজহুৱা আবেগ-অনুভূতিক জগাই তুলি, প্ৰতিশোধ আৰু পুনৰুদ্ধাৰৰ দাবী তুলিবলৈ দেশবাসীক উচটনি দিছিল।

চিত্ৰমূলক ভাৱমূৰ্তিবোৰেও বিদ্ৰোহ সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্যৰ যোগান ধৰিছিল। এইবিলাকৰ ভিতৰত ভাৰতীয় আৰু বৃটিশ উভয়জাতীয় বিভিন্ন চিত্ৰাঙ্কণ, পেঞ্চিল-অঙ্কণ, ধাতু-নক্সা, প'ষ্টাৰ, ব্যঙ্গচিত্ৰ, বাণিজ্য-মুদ্ৰণ ইত্যাদি। ইয়াৰ কিছুমানে বিদ্ৰোহ সম্পৰ্কে আমাক কি জানিবলৈ দিয়ে, তাকে চাওঁচোন আহা।

### 5.1. ৰক্ষাকৰ্তাসকলৰ গুণানুকীৰ্তন ঃ

বৃটিশ চিত্ৰসমূহে বিদ্ৰোহৰ বিভিন্ন ৰকমৰ প্ৰতিকৃতি দাঙি ধৰে। সাধাৰণতে যিবিলাকৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল বিভিন্ন প্ৰকাৰৰ আৱেগ আৰু প্ৰতিক্ৰিয়াক উচটনি যোগোৱা। ইয়াৰে কিছুমানে স্ব-জাতীয় লোকৰ প্ৰাণ ৰক্ষা কৰা আৰু বিদ্ৰোহীক দমন কৰা বৃটিশ নায়কসলক স্মৃতি-বন্দনা কৰা। 1859 খৃষ্টাব্দত থমাচ্ জ'ন্স বাৰ্কাৰৰ দ্বাৰা অংকিত "ৰিলিফ্ এব ল'কনৌ" (লক্ষ্ণৌৰ মুক্তি) এইধৰণৰ চিত্ৰৰ এক উৎকৃষ্ট উদাহৰণ। বিদ্ৰোহী বাহিনীয়ে যেতিয়া লক্ষ্ণৌ চহৰ অৱৰোধ কৰিছিলহি,তেতিয়া লক্ষ্ণৌৰ আয়ুক্ত হেন্ৰী ল'ৰেঞ্চে স্থানীয় খ্ৰীষ্টিয়ান জনসাধাৰণক একগোট কৰি, বিস্তৃত সুৰক্ষা ব্যৱস্থাৰে সু-সজ্জিত, বৃটিশ ৰেচিডেঞ্চি (ৰাজপ্ৰতিনিধিৰ আৱাস)ৰ চৌহদত আশ্ৰয় গ্ৰহণ কৰিছিলগৈ। বিদ্ৰোহীৰে সংঘৰ্ষত ল'ৰেঞ্চৰ পিছলৈ মৃত্যু হৈছিল যদিও কৰ্ণেল ইংলিশৰ সেনাপতিত্বত উক্ত আৱাস-চৌহদ সুৰক্ষিত হৈ ৰৈছিল। বিদ্ৰোহী বাহিনীৰ বেষ্ট ভেদ কৰি, 25 ছেপ্তেম্বৰৰ দিনা জেম্ছ আউটৰাম

DailyAssam.Com





আৰ্হি নং 11.10
"লক্ষ্ণৌৰ মুক্তি", থমাচ্ জ'ঞ্চ্ বাৰ্কাৰৰ দ্বাৰা অংকিত, 1859

আৰু হেন্ৰী হেভ্‌ল'কলক্ষ্ণৌত উপস্থিত হৈ বৃটিশ দুৰ্গৰক্ষক বাহিনীক আৰু শক্তিশালী কৰি তুলিছিলহি। ইয়াৰ বিশ দিনৰ পাছত, ভাৰতবৰ্ষৰ বৃটিশ বাহিনীৰ নৱ-নিযুক্ত সেনাধ্যক্ষ ক'লিন কেম্প্‌ৱেলে এটা ডাঙৰ বাহিনী লৈ আহি, অৱৰুদ্ধ বৃটিশ দুৰ্গৰক্ষা বাহিনীক উদ্ধাৰ কৰিছিলহি। পিছলৈ বৃটিশ লিখনিবিলাকত লক্ষ্ণৌ অৱৰোধ অস্তিত্ব ৰক্ষা, বীৰত্বপূৰ্ণ প্ৰতিৰোধ আৰু বৃটিশ শক্তিৰ চূড়ান্ত বিজয়ৰ এক ৰোমাঞ্চকৰ কাহিনীলৈ ৰূপান্তৰিত হৈছিল।

বাৰ্কাৰৰ চিত্ৰাঙ্কণে কেম্প্‌ৱেলৰ বিজয়সূচক প্ৰৱেশ-মুহূৰ্তৰ মহিমা-কীৰ্তন কৰে। পৃষ্ঠাটোত সন্নিবিষ্ট বাৰ্কাৰৰ চিত্ৰখনৰ কেন্দ্ৰস্থলত বৃটিশ নায়কসকলে কেম্প্‌ৱেল, আউট্ৰাম আৰু হেভল'কৰ প্ৰতিকৃতি আছে। চাৰিওকাষে বেঢ়ি থকাসকলৰ হাতৰ ভঙ্গীয়ে দৰ্শকৰ দৃষ্টি ছবিখনৰ কেন্দ্ৰৰফালে আকৰ্ষিত কৰে। সন্মুখত ছাঁ আৰু পৃষ্ঠভূমিত ক্ষতিগ্ৰস্ত ৰাজপ্ৰতিনিধিৰ আৱাসেৰে সৈতে, পৰ্যাপ্তভাৱে উদ্ভাসিত মজিয়াত নায়কসকলে থিয় দি আছে। সন্মুখত ভূ-লুণ্ঠিত, মৃত আৰু আঘাতপ্ৰাপ্তসকল অৱৰোধকালৰ যন্ত্ৰণাৰ সাক্ষী। আনহাতে, কেন্দ্ৰস্থলত দণ্ডায়মান বিজয়ী ঘোঁৰাবোৰৰ প্ৰতিকৃতিয়ে যেন প্ৰতীকি অৰ্থত, বৃটিশ ক্ষমতা আৰু নিয়ন্ত্ৰণ পুৰ্নপ্ৰতিষ্ঠাৰ বাস্তৱিকতাৰ ওপৰতেই গুৰুত্ব আৰোপ কৰিছে। বৃটিশ সৰ্বসাধাৰণৰ বাবে এনে চিত্ৰাঙ্কণবোৰ নিশ্চয়েই পুনৰ ভাৰসাম্যক। এইবিলাকে এনে এক অনুভৱৰ জন্ম দিয়ে যেন সমস্যাবহুল সময়বোৰ অতীত হ'ল, বিদ্ৰোহৰ পৰিসমাপ্তি ঘটিল আৰু চূড়ান্ত বিচাৰত বৃটিশ সকলেই বিজয়ী হ'লগৈ।

## 5.2 ইংৰাজ নাৰীসকল আৰু ইংলণ্ডৰ মৰ্যাদা ঃ


জনতাৰ কল্পনাৰ জগতখনক কাকতৰ সংবাদবোৰে নিশ্চিতৰূপে প্ৰভাৱিত কৰে। ইহঁতে ঘটনাবোৰৰ প্ৰতি তেওঁলোকৰ আবেগ আৰু দৃষ্টিভঙ্গীক গঢ় দিয়ে।

DailyAssam.Com



বিশেষকৈ নাৰী আৰু শিশুসকলৰ প্ৰতি বিদ্ৰোহীসকলৰ হিংসুক আচৰণৰ কাহিনীবিলাকে ইংলণ্ডৰ প্ৰজাৰ মাজত আলোড়ণ সৃষ্টি কৰিছিল। ফলত তেওঁলোকে বিদ্ৰোহীসকলৰ বিৰুদ্ধে প্ৰতিশোধ আৰু পুনৰ দখলৰ দাবী চৰকাৰৰ ওচৰত সজোৰে উত্থাপন কৰিছিল। অবলা নাৰীসকলৰ মৰ্যাদা ৰক্ষা আৰু অসহায় শিশুসকলৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে বৃটিশ চৰকাৰৰ ওপৰত বৰ্ধিত হেঁচা পৰিবলৈ ধৰিছিল। মানসিক পীড়ণ আৰু যন্ত্ৰণা সম্বলিত দৃশ্যমান প্ৰতিমূৰ্তিবোৰৰ মাধ্যমেৰে শিল্পীসকলে এনে অনুভূতিবোৰক প্ৰকাশ কৰিছিল আৰু গঢ়ো দিছিল।

জোচেফ্ নীল্ পেট'নে "ইন্ মেম'ৰিয়াম্" (ৰোমন্থন, আৰ্হি নং 11.11) অংকণ কৰিছিল বিদ্ৰোহৰ দুবছৰৰ পাছত। এই চিত্ৰত তোমালোকে অসহায় আৰু নিষ্কলুষ যেন লগা ইংৰাজ নাৰী আৰু শিশুসকলক ঘূৰণীয়াকৈ হেঁচা-টেপা কৰি পৰি থকা দেখিবলৈ পাইছা —তেওঁলোকে যেন নিৰ্ঘাত লাঞ্চনা, হিংসা আৰু আসন্ন মৃত্যুৰ বাবেই অপেক্ষা কৰি আছে। "ইন্ মেম'ৰিয়াম" চিত্ৰখনে ৰক্তাক্ত নৃশংসতা প্ৰদৰ্শন নকৰে, কেৱল ইয়াৰ ইংগিতহে দিয়ে। ইয়েই দৰ্শকৰ কল্পনাশক্তিক আলোড়িত কৰি ক্ৰোধ আৰু উন্মত্ততা জগাই তুলিব খোজে। চিত্ৰত অদৃশ্যমান যদিও বিদ্ৰোহীসকলক ই উন্মত্ত আৰু নৃশংস ৰূপে উপস্থান কৰে। পৃষ্ঠভূমিত ৰক্ষাকৰ্তাৰূপী বৃটিশ উদ্ধাৰকাৰী বাহিনীৰ আগমন তোমালোকে দেখিবলৈ পাইছা।



**আৰ্হি নং 11.11**
ৰোমন্থন
জোচেফ্ নীল্ পেট'নে ১৮৫৯

DailyAssam.Com





আৰ্হি নং 11.12
**শ্ৰীমতী হুইলাৰে কানপুৰত চিপাহীসকলৰ বিৰুদ্ধে আত্ম-ৰক্ষাৰ চেষ্টা কৰিছে।**

আন এশ্ৰেণীৰ নক্সা আৰু চিত্ৰাংকণত নাৰীক আমি এক ভিন্ন ৰূপত দেখিবলৈ পাওঁ। এইবোৰত বিদ্ৰোহীৰ আক্ৰমণৰপৰা আত্মৰক্ষা কৰা নাৰীৰ বীৰাঙ্গনা ৰূপ ফুটি উঠে। আৰ্হি নং 11.12 ত অকলশৰেই যুঁজি, আক্ৰমণকাৰী বিদ্ৰোহীবোৰক মাৰি, নিজৰ মৰ্যাদা ৰক্ষা কৰি শ্ৰীমতী হুইলাৰ সোঁ-মাজত দৃঢ়তাৰে থিয় দি আছে। এনেকুৱা সকলো বৃটিশ উপস্থাপনাত বিদ্ৰোহীবোৰক নৰ-পিশাচৰূপে তুলি ধৰা হয়। ইয়াত এগৰাকী নিঃসঙ্গ নাৰীক চাৰিজনকৈ গাঠলু পুৰুষে তৰোৱাল আৰু বন্দুক লৈ বৰ্বৰভাৱে আক্ৰমণ কৰা দেখুওৱা হৈছে নাৰী গৰাকীৰ আত্ম-মৰ্যাদা আৰু প্ৰাণ ৰক্ষাৰ প্ৰচেষ্টাক প্ৰকৃততে এক গভীৰ ধৰ্মীয় মৰ্মকথাৰূপে উপস্থাপন কৰা হৈছে —সেয়া হ'ল, খ্ৰীষ্টিয়ান ধৰ্মৰ মৰ্যাদা ৰক্ষাৰ বাবে কৰা এখন যুদ্ধ। মজিয়াত পৰি থকা পুথিখন হৈছে খ্ৰীষ্টিয়ানসকলৰ পৱিত্ৰ ধৰ্মপুথি বাইবেল।

## 5.3 প্ৰতিশোধ আৰু পুনৰ দখল ঃ

ক্ৰোধ আৰু ক্ষোভৰ ঢৌ সমগ্ৰ বৃটেইনত বিয়পি পৰাৰ লগে লগে পুনৰ দখলৰ দাবীও শক্তিশালী হ'বলৈ ধৰিছিল। দৃশ্যমান উপস্থাপনা আৰু বিদ্ৰোহ সম্পৰ্কীয় বিভিন্ন বা-বাতৰিবোৰে এনে এক বাতাৱৰণৰ সৃষ্টি কৰিছিল য'ত অত্যাচাৰমূলক দমনকাৰ্য আৰু প্ৰতিহিংসা দুয়োটাকে প্ৰয়োজনীয় তথা ন্যায়সঙ্গত বুলি জ্ঞান কৰা হৈছিল। স্বয়ং ন্যায়দেৱীয়েই যেন দাবী কৰিছিল যে এনে এক সন্ধিক্ষণত বৃটিশ সন্মান আৰু ক্ষমতাৰ প্ৰতি প্ৰত্যাহ্বানক নিষ্ঠুৰবাৰে মোকাবিলা কৰা উচিত। বিদ্ৰোহৰ এই ভাবুকিৰ বিপৰীতে বৃটিশসকলে নিজৰ অপৰাজেয়তা প্ৰদৰ্শনৰ প্ৰয়োজন অনুভৱ কৰিছিল। এনেকুৱা এখন প্ৰতিকৃতি (আৰ্হি নং 11.13) ত আমি এখন হাতত তৰোৱাল আৰু অন্য হাতত তাল লৈ যুদ্ধৰতা ন্যায়ৰ এক ৰূপকাত্মক নাৰীমূৰ্তিক দেখিবলৈ পাওঁ। এই নাৰীমূৰ্তিৰ শাৰীৰিক ভঙ্গীমা খুবেই আক্ৰমণাত্মক ; তেওঁৰ মুখাৱয়বে ক্ৰোধ আৰু প্ৰতিশোধ লিপ্সা প্ৰকাশ কৰে। শিশুৰে সৈতে ভয়ত কুঁচিমুচি থকা এজন ভাৰতীয় নাৰীৰ সন্মুখতে, এই ন্যায়দেৱীয়ে চিপাহীবোৰক পদপিষ্ট কৰিছে।



আৰ্হি নং 11.13
"জাষ্টিচ্', ধাতু নক্সা, 12 ছেপ্তেম্বৰ, 1857 চিত্ৰৰ তলৰ শীৰ্ষক এনে ধৰণৰ "কাউন্‌পৰ" (কানপুৰ)ৰ ভয়াবহ সংহাৰ কাণ্ডই সমগ্ৰ ইংলণ্ড জুৰি প্ৰতিশোধৰ ক্ৰোধাগ্নি আৰু বন্য বাসনাৰ স্ফুৰণ ঘটাইছিল।"

ইংলণ্ডত ছপা মাধ্যমত এনেধৰণৰ অন্যান্য অজস্ৰ চিত্ৰ আৰু ব্যঙ্গচিত্ৰ প্ৰকাশিত হৈছিল, যিবিলাকে পাশৱিক দমন আৰু হিংসাত্মক প্ৰতিশোধৰ পোষকতা কৰিছিল।

DailyAssam.Com






**আৰ্হি নং 11.14**

চিত্ৰখনৰ তলৰ এনেধৰণৰ, "বঙ্গৰ বাঘৰ ওপৰত বৃটিশ সিংহৰ প্ৰতিশোধ", ধাতু-নক্সা, 1857

➲ চিত্ৰখনে কি ভাবমূৰ্তিৰ কল্পনা কৰিছে? বাঘ আৰু সিংহৰ প্ৰতিকৃতিৰ জৰিয়তে কি প্ৰকাশ কৰা হৈছে? নাৰীগৰাকী আৰু শিশুটিৰ প্ৰতিমূৰ্তিয়ে কি চিহ্নিত কৰে?

## 5.4 সন্ত্ৰাস সমাপন ঃ

বিদ্ৰোহীসকলক যি পাশৱিক উপায়েৰে মৃত্যুদণ্ড বিহা হৈছিল, তাৰ মাধ্যমেৰে বৃটিশসকলৰ প্ৰতিশোধ আৰু পুনৰ দখলৰ প্ৰৱল তাড়ণা প্ৰকাশিত হৈছিল। তেওঁলোকক হয় টোপৰ মুখত বান্ধি গুলীওৱা হৈছিল, নহয় ফাঁচী-কাঠত ওলোমোৱা হৈছিল। জনপ্ৰিয় কাকতবোৰৰ জৰিয়তে এনেধৰণৰ নিষ্ঠুৰ প্ৰাণদণ্ডৰ দৃশ্যবোৰ বহুলভাৱে প্ৰচাৰ কৰা হৈছিল।




**আৰ্হি নং 11.15**

পেছোৱাৰত বিদ্ৰোহী সেনাবোৰৰ প্ৰাণদণ্ড সম্পাদন; টোপৰ নলীয়েদি গুলীওৱা, ইলাষ্ট্ৰেড্ লণ্ডন নিউজ, 3 অক্টোবৰ, 1857

প্ৰাণদণ্ড সম্পাদনাৰ এই দৃশ্যটো যেন এনে এখন মঞ্চহে, য'ত পাশৱিক ক্ষমতাৰ এক অধিনিয়ম নাট অভিনীত হৈছে। দৃশ্যটোত ঐক্য-সজ্জিত (uniformed) চিপাহীসকলে আধিপত্য বিস্তাৰ কৰিছে। সতীৰ্থ চিপাহীসকলৰ প্ৰাণদণ্ডৰ দৃশ্য চাই বিদ্ৰোহৰ শীতল পৰিণতিৰ চাক্ষুস অভিজ্ঞতা ল'বলৈ তেওঁলোক বাধ্য হৈছে।

DailyAssam.Com



আহি নং 11.16
পেছোৱাৰত বিদ্ৰোহী চিপাহীৰ প্ৰাণদণ্ড সম্পাদন, ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজ, 3 অক্টোবৰ, 1857 এই প্ৰাণদণ্ড সমাপনৰ দৃশ্যত চাৰিওফালৰ কামানবোৰৰ মাজত 12 জন বিদ্ৰোহী চিপাহীক একে শাৰীতে ফাঁচী দিয়া দেখা গৈছে। তোমালোকে যি দেখিবলৈ পাইছা, সেয়া নিয়ম-মাফিক নহয়, এয়া হৈছে এনেধৰণৰ সন্ত্ৰাস সম্পাদন। যিহেতু ই মানুহৰ মনত আতংকৰ ভাৰ সুমুৱাই দিব লাগিব, সেয়েহে ইয়াক লোকচক্ষুৰ আঁৰত সংগোপনে সম্পাদন কৰিব পৰা নগৈছিল। সেইবাবেই ইয়াক মুক্তাংগণত নাটকীয়ভাৱ মঞ্চস্থ কৰা হৈছিল।

## 5.5 এয়া যে নহয় ক্ষমাৰ সময় ঃ

প্ৰতিশোধৰ বাবে কৰা হাই-উৰুমিৰ মাজত, উদাৰতা প্ৰদৰ্শনৰ বাবে কৰা সকলো প্ৰস্তাৱক বিদ্ৰূপ কৰা হৈছিল। গভৰ্নৰ জেনেৰেল লৰ্ড কেনিঙে যেতিয়া ঘোষণা কৰিছিল যে একপ্ৰকাশ নমনীয়তা আৰু ক্ষমাৰ মনোভাৱ প্ৰদৰ্শনে চিপাহীসকলৰ আনুগত্য ঘূৰাই পোৱাত সহায় কৰিব পাৰে, তেতিয়া বৃটিশ ছপা মাধ্যমে তেওঁক তীব্ৰ উপলুঙা আৰু ব্যঙ্গৰ পাত্ৰত পৰিণত কৰিছিল।

'পাঞ্চ' নামৰ বৃটিশ ব্যঙ্গ কাকতখনত এই প্ৰসঙ্গত এখন ব্যঙ্গ-চিত্ৰ প্ৰকাশিত হৈছিল, য'ত কেনিঙক এজন বৃহদাকাৰ অভিভাৱকৰ ৰূপত দেখুওৱা হৈছে। এই ব্যঙ্গ-চিত্ৰত তেওঁ এনে এজন চিপাহীৰ মূৰৰ ওপৰত তেওঁৰ সুৰক্ষাত্মক হাত ৰাখিছে,যিজন চিপাহীৰ হাতত তেতিয়াও এখন ৰক্ত-ৰঞ্জিত তৰোৱাল আৰু আনখন হাতত এখন ডেগাৰ লৈ আছে (আৰ্হি নং 11.17) ই এনে এখন কল্প-চিত্ৰ আছিল, যাক সেই সময়ৰ বৃটিশ চিত্ৰত বাৰম্বাৰ উপস্থাপন কৰা হৈছিল।



আৰ্হি নং 11.17
"ডি ক্লিমেন্‌চি অব্ কেনিং," পাঞ্চ, 24 অক্টোবৰ, 1857
ব্যঙ্গ চিত্ৰখনৰ তলৰ সংলাপ এনেধৰণৰ ঃ 'ঠিক আছে বাৰু, সিহঁতে তেন্তে তাক কলঙ্কিত টোপৰ মুখেদি গুলীয়াব নালাগে ; কিন্তু সি ভাল চিপাহী পোৱালি হৈ থাকিব বুলি প্ৰতিশ্ৰুতি দিব লাগিব।"


DailyAssam.Com



## 5.6 জাতীয়তাবাদী মানসচিত্ৰ ঃ

বিংশ শতিকাৰ জাতীয়তাবাদী আন্দোলন 1857 খৃষ্টাব্দৰ ঘটনাবোৰৰ দ্বাৰা বহুপৰিমাণে অনুপ্ৰাণিত হৈছিল। জাতীয়তাবাদী আন্দোলনৰ কল্পনা জগতখন বহুলাংশে এই মহাবিদ্ৰোহেই আবৰি আছিল। জাতীয়তাবাদীসকলে ভাৰতৰ প্ৰথম স্বাধীনতা যুদ্ধ হিচাপে ইয়াৰ গুণানুকীৰ্ত্তন কৰিছিল, যি সংগ্ৰামত ভাৰতবৰ্ষৰ সকলো শ্ৰেণীৰ জনতাই ঐক্যবদ্ধভাৱে বৃটিশ সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে যুঁজিবলৈ আগবাঢ়ি আহিছিল।

ইতিহাসৰ সমানে সমানে কলা আৰু সাহিত্যয়ো 1857 ৰ বিদ্ৰোহৰ স্মৃতি সংৰক্ষণত সহায় কৰে। বিভিন্ন কলা আৰু সাহিত্যৰ মাজেদি বিদ্ৰোহৰ নেতৃত্ব দিয়াসকলক বীৰ-বীৰাঙ্গনাৰূপে উপস্থাপন কৰা হয়, যিসকলে দেশৰ জনসাধাৰণক শোষণকাৰী, সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে যুঁজিবলৈ উদ্বুদ্ধ কৰিছিল। এহাতত উন্মুক্ত তৰোৱাল আৰু আনহাতত লেকাম ধৰি ঘোঁৰাৰ পিঠিত উঠি মাতৃভূমিৰ মুক্তিৰ বাবে যুদ্ধ কৰা ৰাণীৰ বীৰত্বৰ বিভিন্ন শাস্তিমূলক কবিতা ৰচিত হৈছিল। এইবোৰৰ মাজেদি লক্ষ্মী বাঈক শত্ৰুলৈ চোঁচা লোৱা ঝাঁচীৰ ৰাণীক বৃটিছ সৈন্য নিধনকাৰী আৰু আমৃত্যু বীৰত্বপূৰ্ণভাৱে যুদ্ধ কৰা এক পৌৰুষিক প্ৰতিকৃতিৰূপে উপস্থাপন কৰা হৈছে। ভাৰতৰ বিভিন্ন ঠাইৰ শিশুসকলে সুভদ্ৰা কুমাৰী চৌহানৰ এই বিখ্যাত পংক্তিটো আঁওৱায়েই ডাঙৰ হয় ঃ "খুব লড়ি মৰ্দানি তু ঝাঁঞ্চী বালি ৰাণী থি" (পুৰুষৰ দৰে তেওঁ খুব যুঁজিছিল, ঝাঁঞ্চীৰ ৰাণী তেৱেঁইতো আছিল) জনপ্ৰিয় মুদ্ৰণবোৰত ৰাণী লক্ষ্মীবাইক হাতত খোলা তৰোৱাল লৈ, ঘোঁৰা চেকুৰাই থকা যুদ্ধৰ সাজতেই অংকিত কৰা হয়- যেন তেওঁ অন্যায় আৰু বিদেশী শাসনক প্ৰতিহত কাৰ দৃঢ়তাৰ এক প্ৰতীকহে আছিল।




আৰ্হি নং 11.18 বোলছবি আৰু জাননী চিত্ৰবোৰে ৰাণী লক্ষীবাঈৰ এক পুৰুষসুলভ যুদ্ধৰ প্ৰতিকৃতি গঢ়ি তোলে।

শিল্পীসকলে উক্ত ঘটনাবোৰ কিদৰে বুজিছিল নাইবা সেইবোৰৰ সম্পৰ্কে কি অনুভৱ কৰিছিল বা প্ৰকাশ কৰিব খুজিছিল, তাৰ ইঙ্গিত তেওঁলোকৰ সৃষ্টিৰ মাজেৰেই ফুটি উঠিছিল। চিত্ৰ আৰু ব্যঙ্গ চিত্ৰবোৰৰ জৰিয়তে আমি সেইসকল লোকৰ বিষয়েও জানিব পাৰোঁ, যিসকলে সেইবোৰ চলাইছিল, প্ৰশংসা বা সমালোচনা কৰিছিল নাইবা ঘৰৰ বেৰত আঁৰিবলৈ সেইবোৰৰ আচল বা নকল সংগ্ৰহ কৰিছিল।

এই প্ৰতিকৃতিবোৰে যে কেৱল ইহঁতক সৃষ্টি কৰাৰ সময়ৰ আবেগ-অনুভূতিকে প্ৰতিফলিত কৰিছিল, তেনেকুৱা নহয়। সমগ্ৰ বৃটেইন দেশজুৰি বহুলভাৱে প্ৰচাৰিত এনে প্ৰকৃতিবোৰৰ প্ৰভাৱত বৃটেইনৰ জনসাধাৰণে বিদ্ৰোহ দমনৰ বাবে আটাইতকৈ নৃশংসতম পন্থা অৱলম্বনৰ পোষকতা কৰিছিল। অন্যহাতেদি, বিদ্ৰোহৰ জাতীয়তাবাদী অনুভৱক গঢ় দিছিল।

➲ আলোচনা কৰা

এই শাখাত সন্নিবিষ্ট প্ৰতিখন ছবিৰ অন্তৰ্নিহিত উপাদানসমূহ পৰীক্ষা কৰি চোৱা আৰু সেইবোৰ তোমালোকক শিল্পীসকলৰ দৃষ্টিভঙ্গীক চিনাক্ত কৰাত সহায় কৰে আলোচনা কৰা।

DailyAssam.Com


## সময়ৰেখা

| | |
|---|---|
| 1801 | অযোধ্যাত লৰ্ড ৱেলেছলিৰ দ্বাৰা বশ্যতামূলক মিত্ৰতা নীতিৰ প্ৰৱৰ্তন। |
| 1856 | নবাৱ ৱাজিদ আলি শ্বাহৰ দেশান্তৰণ ; অযোধ্যাৰ চামিলকৰণ |
| 1856-57 | অযোধ্যাত বৃটিশৰ দ্বাৰা সংক্ষিপ্ত ৰাজহ বন্দবস্তিৰ প্ৰৱৰ্তন |
| 1857 - 10 মে’ | মীৰাটত সেনাদ্ৰোহৰ সূচনা |
| 11-12 মে’ | দিল্লীৰ দুৰ্গৰক্ষী বাহিনীবোৰৰ বিদ্ৰোহ; বাহাদুৰ শ্বাহ মনোনীত নেতৃত্ব গ্ৰহণ কৰে। |
| 20-27 মে’ | আলিগড়, এটাৱা, মইনপুৰী, এটাহত চিপাহীৰ দ্ৰোহ |
| 30 মে’ | লক্ষ্ণৌৰ অভ্যুত্থান |
| মে’-জুন | সেনাদ্ৰুহ সৰ্বসাধাৰণৰ বিদ্ৰোহলৈ ৰূপান্তৰিত হয় |
| 30 জুন | চিনহাটৰ যুদ্ধত বৃটিশৰ পৰাজয় বৰণ |
| 27 ছেপ্তেম্বৰ | হেভ্‌লক্ আৰু আউটৰামৰ নেতৃত্বাধীন বৃটিশ বাহিনীৰ লক্ষ্ণৌৰ ৰেচিডেন্সীত প্ৰৱেশ |
| জুলাই | যুদ্ধক্ষেত্ৰত শ্বাহ মলৰ মৃত্যু |
| 1858 জুন | যুদ্ধক্ষেত্ৰত ঝাঁচীৰ ৰাণীৰ মৃত্যু |

### তলত দিয়াবোৰৰ বিষয়ে একোখন চমু ৰচনা লিখা ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া


আৰ্হি নং 11.19
বিদ্ৰোহীৰ মুখচ্ছবি

1. দ্ৰোহী চিপাহীসকলে বহু ঠাইত বিদ্ৰোহৰ নেতৃত্বৰ বাবে কিয় অভূতপূৰ্ব শাসকসকলৰ মুখলৈকে চাইছিল?
2. বিদ্ৰোহীসকলৰ আঁচনি আৰু সমন্বয়ৰ ইঙ্গিত বহন কৰা তথ্য-প্ৰমাণবোৰৰ বিষয়ে আলোচনা কৰা।
3. ধৰ্মীয় বিশ্বাসে 1857 ৰ ঘটনাক্ৰমক কিমানদূৰ গঢ় দিছিল আলোচনা কৰা।
4. বিদ্ৰোহীসকলৰ মাজত একতাৰ নিশ্চিতৰ বাবে হাতত লোৱা ব্যৱস্থাবোৰ কি কি আছিল?
5. বিদ্ৰোহ দমনৰ বাবে বৃটিশসকলে কি কি পদক্ষেপ হাতত লৈছিল?

DailyAssam.Com

## তলত দিয়া প্ৰশ্নবোৰ ২৫০-৩০০ শব্দৰ ভিতৰত চমু ৰচনা লিখা

6. বিশেষকৈ অযোধ্যাতেই কিয় বিদ্ৰোহে সৰ্বাত্মক ৰূপ লৈছিল? কি কথাই কৃষক, তালুকদাৰ আৰু জমিদাৰসকলক বিদ্ৰোহত যোগদান কৰিবলৈ উদ্বুদ্ধ কৰিছিল?
7. বিদ্ৰোহীসকলে কি বিচাৰিছিল? এই সম্পৰ্কে বিভিন্ন সামাজিক গোটবোৰৰ ভাৱমূৰ্তিৰ.....
8. 1857 ৰ বিদ্ৰোহৰ বিষয়ে দৃশ্যায়িত উপস্থাপনাবোৰে আমাক কি জানিবলৈ দিয়ে? এইবোৰক ইতিহাসবিদসকলে কেনেকৈ ব্যাখ্যা কৰে?
9. অধ্যায়টোত অন্তৰ্ভুক্ত যিকোনো এটা দৃশ্যায়িত আৰু এটা পাঠমূলক সমল পৰীক্ষা কৰি, ইহঁতে বিজয়ী আৰু বিজিত পথৰ দৃষ্টিকোণক প্ৰতিনিধিত্ব কৰে, আলোচনা কৰা।

## মানচিত্ৰৰ কাম

10. ভাৰতৰ এখন মানচিত্ৰৰ নক্সাত বৃটিশ ক্ষমতাৰ তিনিটা মুখ্য কেন্দ্ৰ কলিকতা (কলকাতা), বোম্বাই (মুম্বাই) আৰু মাদ্ৰাজ (চেন্নাই)ক চিহ্নিত কৰা। মানচিত্ৰ 1 আৰু মানচিত্ৰ 2 ৰ প্ৰেক্ষাপটত তাৰ এখন নক্সা তৈয়াৰ কৰা উপনিৱেশিক চহৰবিলাকৰ পৰা এই স্থানবোৰ কিমান ওচৰত নাইবা কিমান দূৰত অৱস্থিত আছিল?

## প্ৰকল্প (যিকোনো এটা বাছি লোৱা)

11. 1857 ৰ বিদ্ৰোহৰ যিকোনো এজন নেতাৰ জীৱনী পঢ়ি চোৱা। জীৱনীকাৰজনে ব্যৱহাৰ কৰা সমলবোৰ পৰীক্ষা কৰি চোৱা। ইয়াৰ মাজত চৰকাৰী প্ৰতিবেদন, সংসদ টোকা, আঞ্চলিক ভাষাৰ কাহিনী, দৃশ্যায়িত বস্তু বা আন কিবা আছে নেকি? সকলোবোৰ সমলে একেখিনি কথাকেই জনায় নে ইহঁতৰ মাজত পাৰ্থক্য আছে? তোমাৰ প্ৰাপ্তিৰ ওপৰত এখন প্ৰতিবেদন প্ৰস্তুত কৰা।

12. 1857 ৰ বিদ্ৰোহৰ আধাৰত নিৰ্মিত কথাছবি এখন চোৱা আৰু ই বিদ্ৰোহটোক কি ধৰণে উপস্থাপন কৰে সেই বিষয়ে লিখা। ই বৃটিশ বিদ্ৰোহী আৰু বৃটিশৰ প্ৰতি অনুগত হৈ থাকি যোৱাসকলক কেনেকৈ চিত্ৰিত কৰিছে? কৃষক, নগৰবাসী, জনজাতি, জমিদাৰ আৰু তালুকদাৰসকলৰ বিষয়ে ই কি কয়? কথাছবিখনে কি ধৰণৰ সঁহাৰিৰ সৃষ্টি কৰিবলৈ বিচাৰে?

**তোমালোকে যদি আৰু অধিক জানিবলৈ বিচৰা, তেন্তে পঢ়া ঃ**

***গৌতম ভদ্ৰ*, 1987**
'ফ'ৰ ৰিবেল্‌চ অব্ এইটিন -ফিফ্‌টি-চেভেন', চাব্অল্টাৰ্ণ ষ্টাডিজ, iv , অক্সফ'ৰ্ড য়ুনিভাৰ্চিটি প্ৰেছ, দিল্লী।

***ৰুদ্ৰাংশু মুখাৰ্জী*, 1984**
'অবধ্ ইন ৰিভ'ল্ট্, 1857-58, অক্সফ'ৰ্ড য়ুনিভাৰ্চিটি প্ৰেছ, দিল্লী।

***তাপ্তি ৰয়*, 2006,**
'ৰাজ অব্দ্যা ৰাণী' পেঙ্গুইন, নতুন দিল্লী।

***এৰিক ষ্টক্স*, 1980**
পিজেন্টচ্ এণ্ড দ্য ৰাজ, অক্সফ'ৰ্ড য়ুনিভাৰ্চিটি প্ৰেছ, দিল্লী

**তোমালোকে ভ্ৰমিব পাৰা ঃ**
http:/books.google.com
(বৃটিশ বিষয়াসকলৰ বিদ্ৰোহ সম্পৰ্কীয় টোকাবোৰৰ বাবে)
www.copsey-family.org/allenc/lakshmibai/links.html (ৰাণী লক্ষ্মী বাঈৰ চিঠি পত্ৰবোৰৰ বাবে)